## ভিতৰৰ পৃষ্ঠাত

লাইক নহয় — পৃষ্ঠা ৪

কাৰ্টুন-ভিডিঅ' গেম... — পৃষ্ঠা ৫

বন্দে মাতৰম্... — পৃষ্ঠা ৭

পুৰুষৰ নীৰৱ যন্ত্ৰণা — পৃষ্ঠা ৮



RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.comত উপলব্ধ

# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ

■ Vol:13 ■ Issue: 49 ■ Guwahati ■ Wednesday ■ 29 July, 2026 ■ Rs. 5 ■ বছৰ- ১৩ ■ সংখ্যা- ৪৯ ■ গুৱাহাটী ■ বুধবাৰ ■ ১২ শাওণ, ১৯৪৮ শক ■ মূল্য ঃ ৫ টকা





## ভগৱান শিৱৰ প্ৰিয় শাওণ মাহৰ গুৰুত্ব

■ **ৰঞ্জিতা শৰ্মা ঃ** শাওণ পৱিত্ৰ মাহ। এই মাহটোত হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ আৰাধ্য দেৱতা ভগৱান শিৱৰ আৰাধনাৰ মাহ। ভগৱান শিৱৰ শাওণ মাহ অতিকে প্ৰিয়। কিয়নো শাওণ মাহ ভগৱান শিৱৰ জন্ম মাহ আৰু শাওণ মাহতে শিৱ আৰু পাৰ্বতীৰ মিলন হৈছিল। দেৱী পাৰ্বতীয়ে বহু বছৰ তপস্যা, ব্ৰত, পূজা, আৰাধনা কৰাৰ পিছত এই শাওণ মাহতে ভগৱান শিৱক স্বামীৰূপে পাইছিল। সেয়ে শাওণ মাহত শিৱ পূজা কৰিলে সহজতে ভগৱান শিৱক সন্তুষ্ট কৰিব পাৰি বুলি শিৱভক্তসকলে বিশ্বাস কৰে। শাওণ মাহৰ প্ৰতিটো সোমবাৰ শিৱ পূজাৰ বাবে পৱিত্ৰ দিন হিচাপে গণ্য কৰি শিৱভক্তসকলে ব্ৰত পালন কৰে। পৱিত্ৰ বুলি ভবা নৈৰ পানী শিৱভক্তসকলে ■ *দুই পৃষ্ঠাত*

# বানত সৰ্বহাৰা হ'ল উজনিৰ হেজাৰ হেজাৰ পৰিয়াল

### চৰকাৰী তথ্য মতে ৩৮৫ খন গাঁৱৰ চাৰি লাখ ৩,১৩৪ গৰাকী বানৰ কবলত




**গুৱাহাটী ঃ** যোৱা ১৯ জুলাইৰ পৰা হোৱা প্ৰলয়ংকাৰী বানত এতিয়ালৈকে শিৱসাগৰ জিলাত ৩৮৫ খন গাঁৱৰ চাৰি লাখ তিনি হেজাৰ ১৩৪ গৰাকী লোক ক্ষতিগ্ৰস্ত হোৱাৰ লগতে ৩১ জন লোকৰ প্ৰাণহানি হৈছে আৰু তিনিজন সন্ধানহীন হৈ আছে। যোৱা সোমবাৰে শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভা কক্ষত মন্ত্ৰী কেশৱ মহন্তৰ উপস্থিতিত এক সংবাদমেল সম্বোধন কৰি উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা ■ *১১ পৃষ্ঠাত*

# বানপীড়িত তিনি জিলাৰ বাবে বিশেষ পেকেজ দাবী

### অসমৰ ৰাইজৰ মন কী বাত শুনক প্ৰধানমন্ত্ৰীয়ে ঃ আছু



**অসম ভূমি সেৱা, পাঠশালা ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ মন কী বাত অসমৰ ৰাইজে বহুত শুনিলে। এতিয়া অসমৰ ৰাইজৰ মন কী বাত শুনক প্ৰধানমন্ত্ৰীগৰাকীয়ে। নিৰ্বাচনৰ সময়ত দুবাৰলৈ অসমলৈ আহিবলৈ সময় হোৱা প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীগৰাকী এতিয়া ক'ত লুকাল। বজালী জিলা ছাত্ৰ সন্থাই বজালীৰ ভিন্ন প্ৰান্তৰ ৰাইজৰ পৰা সংগ্ৰহ কৰা বান সাহায্যৰ তদাৰক কৰাৰ অৰ্থে পাঠশালাত উপস্থিত হৈ যোৱা সোমবাৰে এনেদৰে ক্ষোভ উজাৰে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই। সাংবাদিকৰ আগত শৰ্মাই ক্ষোভেৰে আৰু কয় যে অসমবাসীয়ে কেন্দ্ৰীয় চৰকাৰৰ পৰা যি ধৰণৰ মৰম পাব লাগিছিল, যি ধৰণৰ আত্মীয়তা অনুভৱ কৰিব লাগিছিল সেইটো কিন্তু আমি এতিয়ালৈকে পোৱা নাই। এতিয়া মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে পইচাৰ অভাৱ নাই, মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰীয়ে ফোন কৰি অসমৰ বানৰ খবৰ লৈ আছে, এইখিনিয়ে অসমবাসীৰ বাবে যথেষ্ট নহয়। উজনীৰ তিনিখন জিলাত এইবাৰ বানে যি বিভীষিকাৰ সৃষ্টি কৰিছে এয়া আগে নেদেখা নুশুনা ধৰণৰ। এই বানক কেৱল গতানুগতিক বান বুলি ধৰিলে ভুল হ'ব এয়া এক মহাপ্ৰলয় আৰু সেইকাৰণে চৰকাৰেও কেৱল গতানুগতিক ক্ষতিপূৰণেৰে সৈতে যদি দায়িত্ব সামৰিব বিচাৰিছে তেতিয়াহ'লে এই তিনিখন জিলাৰ মানুহ সৰ্বশ্ৰান্ত যে হ'ব এই কথাটো খাটাং। ইতিমধ্যে সাহায্যৰ লগতে উদ্ধাৰ অভিযান চলি আছে আমি চৰকাৰক দাবী জনাইছো যে উদ্ধাৰ অভিযান আৰু সাহায্য অধিক ক্ষীপ্ৰতাৰে আগবাঢ়ক। কেৱল গতানুগতিক ■ *দুই পৃষ্ঠাত*

### বিধায়কসকলৰ সহযোগিতা বিচাৰিলে অশোক সিংহলে

# দুৰ্গম অঞ্চললৈ গুণগত স্বাস্থ্যসেৱা নিশ্চিত কৰাৰ লক্ষ্য স্বাস্থ্য মন্ত্ৰীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** ৰাজ্যৰ ১২৬ বিধানসভা সমষ্টিৰ প্ৰতিগৰাকী নাগৰিকলৈ গুণগত, সুলভ আৰু সময়োপযোগী স্বাস্থ্যসেৱা নিশ্চিত কৰাৰ লক্ষ্যৰে যোৱা ২০ জুলাইৰ পৰা অসমৰ স্বাস্থ্য মন্ত্ৰীৰ দিছপুৰস্থিত কাৰ্যালয়ত ৰাজ্যখনৰ স্বাস্থ্য ব্যৱস্থাৰ সামগ্ৰিক পৰিস্থিতিৰ ওপৰত এক ■ *দুই পৃষ্ঠাত*

## শিক্ষামন্ত্ৰী মহোদয়লৈ এখন মুকলি চিঠি

■ ড° দিনমণি ভাগৱতী

যোৱা ২৪ জুলাই, ২০২৬ তাৰিখত অসমৰ মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে বিধানসভাৰ মজিয়াত ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ নতুন নীতি নিৰ্দেশনাৰ নামত অসমৰ শিক্ষা ব্যৱস্থাটোক ভয়াৱহ ভৱিষ্যতৰ দিশে ঠেলি দিয়াৰ উপক্ৰম ঘটা অনুভৱ হৈছে। বিদ্যালয়বোৰত পৰিচালনা উন্নয়ন সমিতিবোৰ বিলুপ্ত কৰি কেৱল পৰিচালনা সমিতিবোৰৰ জৰিয়তেই সকলো শৈক্ষিক দিশ চোৱা-চিতা কৰা দায়িত্ব অৰ্পণ কৰা সন্দৰ্ভত হয়তো আৰু ভালেখিনি কথা বিচাৰ-বিবেচনা কৰিবলগীয়া আছে। কিন্তু বিদ্যালয় এখনত ছাত্ৰ-ছাত্ৰীৰ এটা নিৰ্দিষ্ট সংখ্যা নিৰূপণ কৰাটো দুৰ্ভাগ্যজনক আৰু এনে ব্যৱস্থাই অসমৰ বিশেষকৈ গ্ৰামাঞ্চলৰ শিক্ষা ব্যৱস্থা যথেষ্ট ক্ষতিগ্ৰস্ত কৰিব। কোৱা হৈছে ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ওপৰত থাকিলে বিদ্যালয়খনত দুগৰাকী শিক্ষক আৰু তাতকৈ এজন ছাত্ৰ-ছাত্ৰী কম ■ *দুই পৃষ্ঠাত*

### বহনক্ষম নগৰ উন্নয়ন-সেউজ পৰিৱেশ গঢ়ি তোলাৰ পদক্ষেপ চৰকাৰৰ

# গুৱাহাটীৰ পুনৰ নিৰ্মিত শিলপুখুৰী উদ্যান উদ্বোধন



**গুৱাহাটী ঃ** গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী কৌশিক ৰায়ে যোৱা সোমবাৰে গুৱাহাটীৰ পুনৰ নিৰ্মিত শিলপুখুৰী উদ্যান উদ্বোধন কৰে। এই পদক্ষেপে নগৰখনৰ সেউজ পৰিৱেশ সংৰক্ষণ, ৰাজহুৱা সা-সুবিধাৰ উন্নয়ন আৰু নাগৰিকসকলৰ জীৱনৰ মান উন্নত কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ আন এক গুৰুত্বপূৰ্ণ প্ৰচেষ্টাক প্ৰতিফলিত কৰিছে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী নেতৃত্বত অসম চৰকাৰে নাগৰিকসকলৰ বাবে ■ *দুই পৃষ্ঠাত*



প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# বানপীড়িত তিনি জিলাৰ

ক্ষতিপূৰণে এই বিপৰ্যয়ৰ সময়ত জনসাধাৰণক পৰিত্ৰাণ দিব নোৱাৰি বুলি উল্লেখ কৰি শৰ্মাই বানপীড়িত তিনিখন জিলাৰ ৰাইজৰ কাৰণে বিশেষ অৰ্থনৈতিক পেকেজ প্ৰদান কৰিবলৈ চৰকাৰক দাবী জনায়। আনহাতে ছাত্ৰ সন্থাৰ তৰফৰ পৰা কেইবাটাও দাবী পূৰণৰ বাবে ইতিমধ্যে চৰকাৰলৈ প্ৰেৰণ কৰা বুলি উল্লেখ কৰি যিসকল ছাত্ৰ ছাত্ৰীয়ে বানৰ কবলত কৰি নিজৰ জন্মৰ প্ৰমাণ পত্ৰ বাসিন্দাৰ প্ৰমাণ পত্ৰ, জাতিগত প্ৰমাণ পত্ৰৰ লগতে শিক্ষাগত প্ৰমাণ পত্ৰ হেৰুৱাবলগা হৈছে অথবা ধ্বংস হৈছে তাৰ বাবে বিভাগীয়ভাৱে আৰু ডিব্ৰুগড়, গুৱাহাটী, তেজপুৰ বিশ্ববিদ্যালয় আৰু অসম ৰাজ্যিক শিক্ষা সংসদৰ লগত স্কুল এডুকেশ্যন ব'ৰ্ডৰ লগত সমন্বয় ৰক্ষা কৰি এটা পৰ্টেল খুলি এই প'ৰ্টেলৰ জৰিয়তে বিনামূলীয়াকৈ সহজে এই প্ৰমাণ পত্ৰসমূহ ছাত্ৰ-ছাত্ৰীসকলক উপলব্ধ কৰাৰ লাগে বুলিও দাবী জনায়। আনহাতে বানপীড়িত তিনিখন জিলাৰ শিক্ষাৰ্থীসকলৰ আগন্তুক ষান্মাসিকৰ সম্পূৰ্ণ খৰচ অসম চৰকাৰে গ্ৰহণ কৰাৰ সমান্তৰালকৈ বানপীড়িত অঞ্চলৰ জনসাধাৰণৰ গাড়ীসমূহৰ ই এম আইৰ ক্ষেত্ৰত কেবামাহৰ বাবে শিথিল কৰিবৰ কাৰণে বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানসমূহক চৰকাৰে নিৰ্দেশ প্ৰদান কৰিব লাগে বুলিও আছুৰ সভাপতিগৰাকীয়ে চৰকাৰক দাবী জনায়। আনহাতে, প্ৰলয়ংকাৰী বানৰ প্ৰকৃত কাৰণ ডাৱৰ বিস্ফোৰণ নে অইন কিবা সেয়া নিৰ্ধাৰণ কৰাৰ বাবে বিশেষজ্ঞ সমিতিক দায়িত্ব দিয়াৰো দাবী জনায় শৰ্মাই। উল্লেখ্য যে আছুৰ সভাপতিগৰাকীয়ে পাঠশালাৰ হৰিমন্দিৰ প্ৰাংগণত বজালী জিলা ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে বান সাহায্যৰ তদাৰক কৰি আছুৰ কৰ্মকৰ্তাসকলে বজালীৰ বিভিন্ন ঠাই ঘূৰি যিদৰে বান সাহায্য সংগ্ৰহ কৰিছে সেয়া দেখি সন্তোষ প্ৰকাশ কৰে। স্মৰ্তব্য যে বজালী জিলাৰ আছু কৰ্মীসকলে কাইলৈ পুৱাই যথেষ্ট সংখ্যক খাদ্য সামগ্ৰী, নতুন কাপোৰ, চেনিটেৰী পেড আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰী লৈ যোৰহাট, শিৱসাগৰ, চৰাইদেউলৈ ৰাওনা হ'ব।

# গুৱাহাটীৰ পুনৰ নিৰ্মিত

পৰিষ্কাৰ, সুৰক্ষিত আৰু আধুনিক ৰাজহুৱা স্থান গঢ়ি তোলাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ আশা প্ৰকাশ কৰে যে নৱীকৰণ কৰা এই উদ্যান শিশু, পৰিয়াল, জ্যেষ্ঠ নাগৰিক, পুৱা খোজ কঢ়া লোকসকলৰ লগতে সকলো বয়সৰ দৰ্শনাৰ্থীৰ বাবে এক আকৰ্ষণীয় বিনোদনস্থলী হিচাপে পৰিগণিত হ'ব। উদ্যানখনত অধিক সংখ্যক লোকে আহি সময় কটাব পৰাকৈ মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে যে প্ৰতিদিনে পুৱা ৫.৩০ বজাৰ পৰা ১০ বজালৈ সকলো দৰ্শনাৰ্থীৰ বাবে প্ৰৱেশ সম্পূৰ্ণ বিনামূলীয়া থাকিব। ইয়াৰ পিছত নামমাত্ৰ প্ৰৱেশ মাচুল প্ৰযোজ্য হ'লেও ৬০ বছৰৰ উৰ্দ্ধৰ জ্যেষ্ঠ নাগৰিকসকলে গোটেই দিনজুৰি বিনামূলীয়াকৈ উদ্যানখনত প্ৰৱেশ কৰিব পাৰিব। মন্ত্ৰীগৰাকীয়ে গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণ (GMDA)ক শীতকালত শিলপুখুৰীৰ পানীৰ তলৰ অংশ পৰিষ্কাৰ কৰাৰ লগতে পুখুৰীটোৰ প্ৰাকৃতিক তলভাগ অক্ষুণ্ণ ৰাখিবলৈ, অৰ্থাৎ ইয়াক চিমেণ্টেৰে আৱৰি নিদিবলৈ নিৰ্দেশ দিয়ে, যাতে পুখুৰীটোৰ প্ৰাকৃতিক আৰু পৰিৱেশগত বৈশিষ্ট্য সংৰক্ষিত থাকে। তেওঁ কয় যে শিলপুখুৰী উদ্যানৰ এই পুনৰ উন্নয়নে বহনক্ষম নগৰ উন্নয়ন, পৰিৱেশ সংৰক্ষণ আৰু স্বাস্থ্যসন্মত জীৱনশৈলী গঢ়ি তোলাত সহায়ক ৰাজহুৱা স্থান সৃষ্টিৰ ক্ষেত্ৰত চৰকাৰৰ অগ্ৰাধিকাৰক প্ৰতিফলিত কৰিছে। তেওঁ উল্লেখ কৰে যে গুৱাহাটীৰ লগতে ৰাজ্যৰ বিভিন্ন স্থানতো এনে ধৰণৰ আধুনিক উদ্যান স্থাপনৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজহুৱা সম্পদসমূহ সংৰক্ষণ, উদ্যানসমূহ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখা আৰু সুন্দৰ পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত তেওঁ নাগৰিকসকলৰ সক্ৰিয় সহযোগিতা কামনা কৰে। তেওঁ কয়, 'সমূহীয়া দায়বদ্ধতাৰেহে আমাৰ পৰিৱেশ অধিক সুন্দৰ আৰু উন্নত কৰি তুলিব পাৰিম।' উদ্বোধনী অনুষ্ঠানৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে নৱীকৰণ কৰা উদ্যানখন পৰিদৰ্শন কৰি নতুনকৈ নিৰ্মাণ কৰা বিভিন্ন সা-সুবিধাৰ বুজ লয় আৰু উপস্থিত দৰ্শনাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰে। উল্লেখ্য যে ৯৮ লাখ টকাৰ প্ৰশাসনিক অনুমোদনেৰে প্ৰায় ৪.৭ বিঘা মাটিত বিস্তৃত এই উদ্যানখনৰ ব্যাপক পুনৰ উন্নয়ন সম্পন্ন কৰা হৈছে। ইয়াৰ অধীনত নতুন খোজকঢ়া পথ, উন্নত নিষ্কাশন ব্যৱস্থা, চাৰিওফালৰ দেৱাল মেৰামতি আৰু ৰং কৰা, শিশু উদ্যানৰ আধুনিক খেল-সামগ্ৰী, সজ্জিত ফোৰৱা, আলোকসজ্জা, বহিবলৈ বেঞ্চ, ডাষ্টবিন, নতুন টিকট কাউণ্টাৰ আৰু উন্নত চেনিটাৰী তথা প্লাম্বিং ব্যৱস্থা নিৰ্মাণ কৰা হৈছে। এই উন্নয়নসমূহে উদ্যানখনৰ সৌন্দৰ্য, সুৰক্ষা আৰু দৰ্শনাৰ্থীৰ সুবিধা যথেষ্ট বৃদ্ধি কৰিছে। উদ্বোধনী অনুষ্ঠানত নিউ গুৱাহাটীৰ বিধায়ক দীপ্ত ৰঞ্জন শৰ্মা, জি এম ডি এৰ উপাধ্যক্ষ আব্দুল মান্নান ফাৰুক আৰু ধীৰা তালুকদাৰৰ লগতে বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# ভগৱান শিৱৰ প্ৰিয় শাওণ মাহৰ গুৰুত্ব

কঢ়িয়াই আনি শিৱ মন্দিৰৰ শিৱলিংগত সেই পানী ঢালে। এনে কাৰ্য সম্পন্ন কৰাৰ উদ্দেশ্যে দেওবাৰে নিশাই মন্দিৰলৈ গৈ সোমবাৰে পুৱতি নিশা শিৱলিংগত পানী ঢালে। গেৰুৱা বস্ত্ৰ পৰিধান কৰি এই পূজাভাগ আগবঢ়ায়। শিৱক আৰাধনা কৰা এই যাত্ৰাক কাৱৰ যাত্ৰা আৰু ভক্তসকলক কাৱৰিয়া বোলে। এই যাত্ৰাক 'ব'ল বম ব'ল' যাত্ৰাও বোলে। যাত্ৰাত 'ব'ল বম ব'ল' বুলি কোৱা মানে শিৱৰ নাম লৈ স্তুতি কৰি যোৱা বুজায়। বম মানে ভগৱান শিৱক বুজায়। ব'ল বম ব'ল যাত্ৰাৰ লগত প্ৰচলিত বিশ্বাস এটা আছে। সেয়া হৈছে— এবাৰ দেৱতা আৰু দানৱ মিলি সমুদ্ৰ মন্থন কৰিছিল। এই মন্থনৰ ফলত অমৃত আৰু গৰল (বিহ) দুয়োটাই পাইছিল। এই বিহক কালকূট বিষ বা হলাহল বিহ বোলে। এই বিহখিনিৰ শক্তি ইমান বেছি আছিল যে সমস্ত জীৱকুল ধ্বংস কৰিবৰ বাবে পৰ্যাপ্ত। ভগৱান শিৱই এই বিহে পৃথিৱী ধ্বংস কৰিব বুলি ভাবি বিহখিনি পান কৰে। বিহখিনি ইমানেই বিষাক্ত আছিল যে শিৱৰ কণ্ঠনলীয়েদি পাৰ হওঁতে ডিঙিটো নীলাবৰ্ণীয়া হৈ পৰিছিল। শিৱক সেয়ে নীলকণ্ঠ বোলা হয়। এই বিহৰ প্ৰভাৱ ইমানেই মাৰাত্মক আছিল যে ভগৱান শিৱই প্ৰচণ্ড গৰম সহ্য কৰিবলগীয়া হৈছিল। সেয়ে ভগৱান শিৱক গৰমৰ পৰা পৰিত্ৰাণ পাবলৈ দেৱৰাজ ইন্দ্ৰই বৰ্ষা নমাইছিল। লগতে দেৱ-দেৱীসকলে ঠাণ্ডা পানী ঢালিছিল। সেয়ে শাওণ মাহত অতিপাত বৰষুণ হয়। ফলস্বৰূপে শিৱভক্তসকলে শিৱলিংগত পূজা-অৰ্চনা কৰি পৱিত্ৰ ঠাণ্ডা পানী ঢালে। শিৱ পূজা সাধাৰণতে শিৱৰ বিমূৰ্ত শিৱলিংগ ৰূপতহে কৰা হয়। শিৱলিংগত গাখীৰ, পবিত্ৰ জল, বেলপাত, ফুল, নৈবেদ্য আগবঢ়াই শিৱ পূজাৰ বিধি অনুসৰি পূজা-অৰ্চনা কৰা হয়। বিশ্বাস কৰা হয় যে বৰবিহৰ প্ৰভাৱৰ পৰা মুক্ত কৰিবলৈ ৰাৱণে গংগাৰ পবিত্ৰ পানী আনি শিৱৰ গাত ঢালিছিল। সেয়ে অতীজৰে পৰা শিৱভক্তসকলে শাওণ মাহত পবিত্ৰ পানী আনি শিৱলিংগত ঢালে। এইদৰে শিৱলিংগত পানী ঢালিলে শিৱ সহজে সন্তুষ্ট হয় আৰু ভক্তসকলৰ মনোবাঞ্ছা পূৰ্ণ কৰে বুলি ভক্তসকলে বিশ্বাস কৰে যদিও অতীজৰে পৰা এই পৰম্পৰা চলি আছিল, তথাপি ১৯৮০ চনমানলৈ ই মাত্ৰ উত্তৰ ভাৰতৰ কিছুসংখ্যক লোকৰ মাজত সীমাবদ্ধ আছিল। লাহে লাহে 'ব'ল বম ব'ল'ৰ জনপ্ৰিয়তা বাঢ়িছে। বৰ্তমান হৰিদ্বাৰৰ গংগা তীৰত লাখ লাখ লোকে শাওণ মাহত ভিৰ কৰে। পূৰ্বতে হৰিদ্বাৰ, গৌমুখ, গংগোত্ৰী আদি উত্তৰাখণ্ডৰ অঞ্চলত আৰু বিহাৰৰ চুলতানগঞ্জ আৰু নেপালৰ কিছু অঞ্চলত 'ব'ল বম ব'ল' সীমাবদ্ধ আছিল। কাৱাৰিয়াসকলে খালী ভৰিৰে বহুদূৰ খোজকাঢ়ি গৈ পানী কঢ়িয়াই আনি নিজৰ অঞ্চলৰ শিৱ মন্দিৰৰ শিৱলিংগত এই পানী ঢালে। তেওঁলোকে খোজকাঢ়ি আহি থাকোতে ব'ল বম, ভোলে বম বুলি কোৱাৰ লগতে ভজন আদিও গায়। বহুদূৰলৈ খোজকাঢ়ি গৈ ঘূৰি আহোতে কিছুমান লোকৰ এসপ্তাহ, দহ দিনপৰ্যন্ত সময় লাগিছিল। বৰ্তমান সময়ত পশ্চিমবংগ, বিহাৰ, ওড়িশা, অসম আদি ৰাজ্যত 'ব'ল বম ব'ল'ৰ জনপ্ৰিয়তা বাঢ়িছে। আজিকালি খোজকাঢ়ি যোৱাতকৈ গাড়ী, মটৰ চাইকেল, স্কুটাৰ, মিনি ট্ৰাক আদিত উঠি পানী আনিবলৈ যায়। কিছু বছৰ আগলৈকে অসমত সীমিতসংখ্যক বিহাৰী, মাৰোৱাৰী আৰু বঙালী সম্প্ৰদায়ৰ লোকে ব'ল বম যাত্ৰা কৰা দেখা গৈছিল। বৰ্তমান অসমীয়াসকলেও ব'ল বম যাত্ৰাত ভাগ লয়। এইদৰে পবিত্ৰ শাওণ মাহৰ প্ৰতিটো সোমবাৰে ভক্তসকলে ভগৱান শিৱক পূজা-অৰ্চনা কৰি আহিছে। এইদৰে শাওণ মাহত ভগৱান শিৱক পূজিলে ভক্তসকলৰ মনোকামনা পূৰ্ণ হয় বুলি শিৱভক্তসকলৰ পৰম বিশ্বাস।

# শিক্ষামন্ত্ৰী মহোদয়লৈ এখন মুকলি চিঠি

হ'লেও এজনীয়া শিক্ষকৰে বিদ্যালয়খন চলিলে শিক্ষাৰ অধিকাৰ আইনখন ভংগ কৰা নহ'ব। মন্ত্ৰী মহোদয়, পাঁচটা ক্লাছ এজন শিক্ষকে চম্ভালিবলগা হয়। এখন বিদ্যালয়ত ২৫ জন ছাত্ৰ-ছাত্ৰী থাকিলে প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ পাঁচটা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী থাকিব পাৰে বা থাকিব। কিবা বিশেষ পৰিৱেশত এখন বিদ্যালয়ত ৩০ জনতকৈ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা সাময়িকভাৱে কমিব পাৰে। কিন্তু তেনে পৰিৱেশত যদি বিদ্যালয়খন এজন শিক্ষকৰে চলিব দিয়া হয় আৰু তেওঁ পাঁচটা ক্লাছ চম্ভালিবলগা হয় তেন্তে স্বাভাৱিকতে বিদ্যালয়খনত শৈক্ষিক পৰিৱেশ নোহোৱা হ'ব আৰু ভৱিষ্যতলৈ ক্ৰমাগতভাৱে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পাব ধৰিব। অৰ্থাৎ এনে পদ্ধতি বিদ্যালয়খনক পৰোক্ষভাৱে মৃত্যুৰ মুখলৈ ঠেলি দিয়াৰ প্ৰথম প্ৰচেষ্টা হ'ব। ইতিমধ্যে এনেবোৰ কাৰণত বহু বিদ্যালয় মৰিল। প্ৰাথমিক পৰ্যায়ৰ শিক্ষা যেতিয়া প্ৰথম শ্ৰেণীৰ পৰা তৃতীয় শ্ৰেণীলৈ আছিল তেতিয়াও ন্যূনতম দুজন শিক্ষক আছিল। এতিয়া প্ৰাথমিক বিদ্যালয়ত পাঁচটা শ্ৰেণী। গতিকে ছাত্ৰৰ সংখ্যা কম থকা বিদ্যালয়বোৰতো তিনিজন শিক্ষক দিয়ক বিদ্যালয়বোৰে পুনৰ্জীৱন পাব।

# দুৰ্গম অঞ্চললৈ গুণগত স্বাস্থ্যসেৱা নিশ্চিত

উচ্চস্তৰীয় পৰ্যালোচনা বৈঠক অনুষ্ঠিত হৈ আহিছে। সেই মৰ্মে যোৱা দেওবাৰে ডিব্ৰুগড় আৰু গোলাঘাট জিলাৰ স্বাস্থ্য ব্যৱস্থাৰ সামগ্ৰিক অগ্ৰগতি পৰ্যালোচনাৰ উদ্দেশ্যে দিছপুৰত এখন উচ্চস্তৰীয় সভা অনুষ্ঠিত হয়। অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহলৰ অধ্যক্ষতাত অনুষ্ঠিত সভাত স্বাস্থ্য বিভাগৰ বিভিন্ন অগ্ৰাধিকাৰমূলক আঁচনিৰ ৰূপায়ণৰ স্থিতি বিশদভাৱে পৰ্যালোচনা কৰাৰ লগতে জনস্বাস্থ্য ব্যৱস্থা অধিক শক্তিশালী কৰাৰ বাবে বিভিন্ন দিশ-নিৰ্দেশনা প্ৰদান কৰা হয়। সভাত মাতৃ-শিশুৰ স্বাস্থ্যসেৱা, চিকিৎসা আন্তঃগাঁথনিৰ উন্নয়ন, বিনামূলীয়া ডায়েলাইচিছ সেৱাৰ সম্প্ৰসাৰণ আৰু ১০৮ এম্বুলেন্স জৰুৰীকালীন সেৱা অধিক খৰতকীয়া আৰু ফলপ্ৰসূ কৰি তোলাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। লগতে 'যক্ষ্মামুক্ত ভাৰত' অভিযানৰ অগ্ৰগতি, ৰোগী চিনাক্তকৰণ আৰু চিকিৎসা ব্যৱস্থাৰ পৰ্যালোচনাও কৰা হয়। সভাত স্বাস্থ্য ক্লাব, ভ্ৰাম্যমাণ চিকিৎসা গোট (Mobile Medical Unit), ৰাষ্ট্ৰীয় শিশু স্বাস্থ্য সুৰক্ষা কৰ্মসূচী (RBSK) আৰু ৰাষ্ট্ৰীয় কিশোৰ স্বাস্থ্য কৰ্মসূচী (RKSK) অধিক ফলপ্ৰসুভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত জনপ্ৰতিনিধিসকলৰ সক্ৰিয় সহযোগিতা কামনা কৰা হয়। বিশেষকৈ নিজ নিজ সমষ্টিত বিদ্যালয় আৰু সম্প্ৰদায় পৰ্যায়ত স্বাস্থ্য ক্লাবসমূহ সক্ৰিয় কৰি স্বাস্থ্য সচেতনতা বৃদ্ধি, ভ্ৰাম্যমাণ চিকিৎসা গোটৰ জৰিয়তে দুৰ্গম অঞ্চলত স্বাস্থ্যসেৱা অধিক শক্তিশালী কৰা, শিশুসকলৰ স্বাস্থ্য পৰীক্ষা আৰু জন্মগত ৰোগসমূহ সময়মতে চিনাক্তকৰণ, লগতে কিশোৰ-কিশোৰীসকলৰ পুষ্টি, মানসিক স্বাস্থ্য, ঋতুস্ৰাৱ স্বাস্থ্যবিধি, নিচামুক্ত জীৱন আৰু স্বাস্থ্যসচেতনতা বৃদ্ধিৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিবলৈ বিধায়কসকলক আহ্বান জনোৱা হয়। এই সভাত পঞ্চায়ত, আবকাৰী আদি বিভাগৰ মন্ত্ৰী অতুল বৰা, শ্ৰমিক কল্যাণ আদি বিভাগৰ মন্ত্ৰী ৰামেশ্বৰ তেলীৰ লগতে জিলা কেইখনৰ বিধায়কসকল ক্ৰমে বিনোদ হাজৰিকা, চক্ৰধৰ গগৈ, মৃদুল কুমাৰ দত্ত, মৃণাল শইকীয়া আৰু বিশ্বজিৎ ফুকনে অংশগ্ৰহণ কৰি নিজ নিজ সমষ্টিৰ স্বাস্থ্য খণ্ডৰ বিভিন্ন বিষয় উত্থাপন কৰাৰ লগতে স্বাস্থ্যসেৱাৰ মান উন্নয়নৰ বাবে গঠনমূলক পৰামৰ্শ আগবঢ়ায়। সভাত চিকিৎসা শিক্ষা সঞ্চালক ডাঃ মনোজ কুমাৰ চৌধুৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ কাৰ্যবাহী সঞ্চালক ডাঃ অভিজিৎ শৰ্মাসহ বহু কেইগৰাকী স্বাস্থ্য বিভাগৰ বিষয়া উপস্থিত থাকে। সভাৰ অন্তত সংশ্লিষ্ট জিলাসমূহত স্বাস্থ্য বিভাগৰ অগ্ৰাধিকাৰমূলক আঁচনিসমূহ অধিক গতিশীলভাৱে ৰূপায়ণ, আন্তঃবিভাগীয় সমন্বয় বৃদ্ধি আৰু জনসাধাৰণলৈ গুণগত স্বাস্থ্যসেৱা নিশ্চিত কৰাৰ বাবে প্ৰয়োজনীয় দিশ-নিৰ্দেশনা প্ৰদান কৰা হয়।

# ৰাণী অঞ্চলৰ আন্ধেৰীজুলিত ভূঁই ৰোৱা উৎসৱ

## আন্তঃজিলা এথলেটিকছ প্ৰতিযোগিতা পলাশবাৰীৰ তিতিক্ষা দাসৰ স্বৰ্ণপদক অৰ্জন



**ৰামপুৰ ঃ** যোৱা ২৪ জুলাইৰ পৰা নলবাৰীত ৪৭ সংখ্যক আন্তঃজিলা এথলেটিকছ প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। নলবাৰী জিলা ক্ৰীড়া প্ৰকল্পত জুনিয়ৰ আৰু ছিনিয়ৰ পৰ্যায়ত এই প্ৰতিযোগিতা অনুষ্ঠিত হয়।

প্ৰতিযোগিতাখনৰ ২০ বছৰৰ অনূৰ্ধ্ব শাখাৰ শ্বটপুট খেলত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই পলাশবাৰী টাউনৰ তিতিক্ষা দাসে স্বৰ্ণপদক বুটলিবলৈ সমৰ্থ হয়। প্ৰশিক্ষকক অমৰেন্দ্ৰ নাথ ঠাকুৰীয়াৰ ওচৰত প্ৰশিক্ষণ লৈ থকা প্ৰতিভাৱান এথলিট তিতিক্ষাৰ এই সাফল্যই দক্ষিণ কামৰূপলৈ আনন্দ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। আজাৰাস্থিত গিৰিজানন্দ চৌধুৰী বিশ্ববিদ্যালয়ত স্নাতক শ্ৰেণীত অধ্যয়নৰত তিতিক্ষা পলাশবাৰী টাউনৰ ডিম্বেশ্বৰ দাস আৰু কৰবী দাসৰ একমাত্ৰ কন্যা।

## ৰোৱনী-দাৱনীৰে ভৰি পৰিছে খেতিপথাৰ

**ৰাণী ঃ** গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ কৃষিপ্ৰধান অঞ্চল হিচাপে পৰিচিত তথা শালিধানৰ খেতিৰ বাবে বিখ্যাত বৃহত্তৰ ৰাণী অঞ্চলত বিগত দিনকেইটাত মাজে-সময়ে হৈ থকা বৰষুণৰ বাবে খেতিপথাৰসমূহ পানীৰে উপচি পৰিছে। আনকি স্বাভাৱিকতকৈ অধিক পৰিমাণৰ বৰষুণ হোৱা বাবে কাষৰীয়া মেঘালয়ৰ পাহাৰসমূহৰ পৰা নামি অহা পানীৰ ধলে কৃষিকাৰ্যত ঠাইবিশেষে কিছু বাধাৰ সৃষ্টি কৰিছে। ইয়াৰ মাজতে যোৱা দুদিন-তিনি দিন ধৰি বতৰ কিছু ফৰকাল হোৱাত তাৰ সুযোগ লৈ কৃষকসকল শালিধানৰ খেতি কৰাৰ বাবে পথাৰত নামি পৰা পৰিলক্ষিত হৈছে। অৱশ্যে তুলনামূলকভাৱে বাম বা কিছু ওখ ঠাইসমূহত আহাৰ মাহৰ শেষৰ পৰা বা শাওণ মাহৰ প্ৰথম দিনটোৰ পৰাই কৃষকসকল হালৰ গৰু, পাৱাৰটিলাৰ, ট্ৰেক্টৰ লৈ নামি পৰা পৰিলক্ষিত হৈছে। নয়নাভিৰাম প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ ৰাণীকে ধৰি পশ্চিম গুৱাহাটীৰ খেতিপথাৰসমূহ ৰোৱনী-দাৱনীৰে ভৰি পৰা পৰিলক্ষিত হৈছে। এই সন্দৰ্ভত পশ্চিম গুৱাহাটীৰ কৃষিকৰ্মৰ লগত জড়িত উদ্যমী ব্যক্তি দেউছতালৰ বলেশ্বৰ ৰংপিকে ধৰি কৃষিকৰ্মত ব্যস্ত একাংশ কৃষকে জানিবলৈ দিয়া মতে পূৰ্বৰ গৰুৰ সলনি বেছিভাগতে পাৱাৰটিলাৰ, ট্ৰেক্টৰকে ধৰি কৃষি ক্ষেত্ৰত যান্ত্ৰিক পদ্ধতিৰ বহুল ব্যৱহাৰৰ বাবে উঠি অহা নতুন প্ৰজন্মৰ বহু শিক্ষিত যুৱক কৃষি খণ্ডত নামি পৰিছে। অৱশ্যে ৰাজ্যৰ আন বহু অঞ্চলৰ দৰে ৰাণী অঞ্চলটো বহু কৃষক-গো পালকৰ গোহালিৰ পৰা চোৰে হালোৱা গৰু চুৰি কৰি নিয়া কেইবাটাও ঘটনা সংঘটিত হোৱাৰ পাছত স্বাভাৱিকতে বেছিভাগ কৃষকে চুৰি হোৱাৰ ভয়ত গৰু পুহিবলৈ বাদ দিয়াৰ দৰে হৈছে। তাৰ মাজতো কৃষকসকলে প্ৰত্যাহ্বান নেওচিও



চলিত শাওণ মাহৰ ভিতৰত শালিধানৰ খেতিৰ কামখিনি বা কঠীয়া তথা ভূঁই ৰোৱাৰ কামখিনি শেষ কৰিব পাৰিলেহে কৃষকৰ বাবে সোণোৱালী মাহ হিচাপে পৰিগণিত হৈ অহা আঘোণ মাহত পথাৰৰ পৰা লখিমীক ঘৰলৈ নিব পাৰিব। আনহাতে, আঘোণ মাহৰ আঠোটা দিন পাৰ হোৱাৰ পাছত অলপ পলমকৈ হ'লেও ৰাণীৰ কাষৰীয়া আন্ধেৰীজুলিৰ খেতিপথাৰত বলেশ্বৰ ৰংপিৰ উদ্যোগত ভূঁই ৰোৱা উৎসৱ পালন কৰা হয়। প্ৰথমতে লক্ষ্মী দেৱীক আৰাধনা কৰি এগছি ভূঁই ৰুই কেইবাজনী ৰোৱনীৰ সৈতে খেতিপথাৰত ভূঁই ৰোৱা উৎসৱৰ আৰম্ভ কৰা হয়। ভূঁই ৰোৱাৰ পূৰ্বে পথাৰত পাৱাৰটিলাৰ চলাই সকলোকে আপ্লুত কৰে উদীয়মান কৃষক বলেশ্বৰ ৰংপিয়ে। ইফালে, কৃষিপ্ৰধান অঞ্চল হিচাপে পৰিচিত আৰু শালিধানৰ খেতিৰ বাবে বিখ্যাত বৃহত্তৰ ৰাণী অঞ্চলত এতিয়া পুৱাৰে পৰা সন্ধিয়ালৈ কৃষক ৰাইজৰ সীমাহীন ব্যস্ততা পৰিলক্ষিত হৈছে। সকলোৰে লক্ষ্য এটাই চলিত শাওণ মাহ শেষ হোৱাৰ পূৰ্বে পথাৰত ভূঁই ৰোৱা কামখিনি শেষ কৰা। যাৰ বাবে প্ৰখৰ ৰ'দক নেওচিও ৰোৱনী-দাৱনীসকলে পথাৰত ভূঁই ৰোৱা কামত ব্যস্ত হৈ আছে।

## প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ প্ৰাক্তন সতীৰ্থ সন্মিলনৰ উদ্যোগ

# বিনামূলীয়া পাঠদান শিবিৰৰ সামৰণি

**গুৱাহাটী ঃ** গুৱাহাটীৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ প্ৰাক্তন সতীৰ্থ সন্মিলনৰ উদ্যোগত আৰু বেচৰকাৰী সংস্থা সাৰথিৰ সহযোগত যোৱা ২ জুলাইৰ পৰা আৰম্ভ হোৱা বিনামূলীয়া গ্ৰীষ্মকালীন শিক্ষাদান শিবিৰৰ যোৱা ২৪ জুলাইত সামৰণি পৰে। শিবিৰত চতুৰ্থ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে শতাধিক শিক্ষাৰ্থীয়ে ভাগ লয়। শিবিৰত শিক্ষাৰ্থীসকলক ইংৰাজী, গণিত, বিজ্ঞান, অসমীয়া, চিত্ৰকলা, গীত, নৃত্য আদি বিষয়ৰ লগতে 'ন্যুমিজমেটি' অৰ্থাৎ মুদ্ৰা, কাগজৰ ধন, টোকেন, পদক আদি সংগ্ৰহ আৰু অধ্যয়নৰ বিষয়ে বিশেষ জ্ঞান প্ৰদান কৰা হয়। ইয়াৰ উপৰি আত্মৰক্ষাৰ প্ৰশিক্ষণ, 'ভাল স্পৰ্শ' আৰু 'বেয়া স্পৰ্শ' সম্পৰ্কীয় সজাগতামূলক পাঠো শিক্ষাৰ্থীসকলক দিয়া হয়। উল্লেখ্য যে শিবিৰত প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ প্ৰাক্তন সতীৰ্থসকলৰ লগতে গুৱাহাটীৰ বিভিন্ন শিক্ষা প্ৰতিষ্ঠানৰ অভিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰীসকলে সম্পূৰ্ণ বিনামূলীয়াভাৱে পাঠদান কৰি সমাজসেৱাৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰে। বিয়লি অনুষ্ঠিত সামৰণী অনুষ্ঠানত শিক্ষাৰ্থীসকলে গীত, নৃত্য, বাদ্য পৰিৱেশন আৰু অন্যান্য সাংস্কৃতিক অনুষ্ঠানৰ জৰিয়তে নিজৰ সৃষ্টিশীল প্ৰতিভাৰ মনোমোহা প্ৰদৰ্শন দাঙি ধৰে উপস্থিত সকলোকে আপ্লুত কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অধিবক্তা তথা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ দীপক শৰ্মা, বিশেষ অতিথি হিচাপে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ কুমাৰ মহন্ত আৰু প্ৰাক্তন প্ৰাগজ্যোতিষীয় সতীৰ্থ সন্মিলনৰ সভাপতি দেৱান ধ্ৰুৱজ্যোতি মৰল উপস্থিত থাকি ভাষণ প্ৰদান কৰে অতিথিসকলে ভাষণ প্ৰদান কৰি শিক্ষাৰ্থীসকলক অধ্যৱসায়, নৈতিক মূল্যবোধ আৰু সমাজৰ প্ৰতি দায়বদ্ধতাৰে আগবাঢ়ি যাবলৈ আহ্বান জনায়। শিবিৰটো পৰিচালনা কৰে সাৰথিৰ প্ৰতিষ্ঠাপক ঋষভ কলিতা, সাৰথিৰ সদস্যবৃন্দ, প্ৰাক্তন সতীৰ্থ সন্মিলনৰ সাধাৰণ সম্পাদিকা হিমাশ্ৰী দেৱী, গুঞ্জন দাস আৰু সন্মিলনৰ আন বহু প্ৰাক্তন সতীৰ্থই। সামৰণী অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক সদ্য প্ৰয়াত মণ্টু বৈশ্যৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয় আৰু তেওঁৰ বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।



# বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰৰ দুৰৱস্থা

**ধ্ৰুৱজ্যোতি তালুকদাৰ, পাঠশালা ঃ** পাঠশালাৰ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰখন শেহতীয়াভাৱে বোকাপানীৰে কদৰ্য হৈ পৰাত স্থানীয় খেলুৱৈৰ লগতে বিভিন্ন চাকৰিৰ বাবে দৌৰৰ অনুশীলন কৰা যুৱকসকল ভীষণ সমস্যাৰ সন্মুখীন হৈছে। উল্লেখ্য যে এজাক বৰষুণৰ পিছতে খেলপথাৰখন পানীৰে উপচি পৰাৰ উপৰি খেলপথাৰখনৰ মাটিসমূহ অসমান হোৱা বাবে খেলপথাৰখনত শাৰীৰিক অনুশীলন, খেল-ধেমালি কৰিবলৈ অনুপযোগী হৈ পৰিছে। পাঠশালাৰ অন্যতম এই খেলপথাৰখনত প্ৰতিদিনে বৃহত্তৰ অঞ্চলটোৰ তিনি শতাধিক ল'ৰা-ছোৱালীয়ে ফুটবল, টাইকোৱাণ্ডো, ক্ৰিকেট, ভলীবল, ৰাগবি আদি খেলৰ অনুশীলন কৰাৰ উপৰি চৰকাৰী চাকৰিৰ বাবে দৌৰৰ অনুশীলন কৰা দেখা যায়। খেলপথাৰখনৰ দুৰৱস্থাৰ বাবে অঞ্চলটোৰ বহু যুৱকে এতিয়া আৰক্ষীৰ শাৰীৰিক পৰীক্ষাৰ অনুশীলনৰ বাবে বহু দূৰ-দূৰণিলৈ গৈ অনুশীলন কৰিবলগা হৈছে। লক্ষণীয়ভাৱে বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এই খেলপথাৰখন সন্ধিয়া হ'লেই অন্ধকাৰত ডুব যায়। ফলত বিভিন্ন খেলৰ অনুশীলন কৰা খেলুৱৈসকলে প্ৰায়ে অসম্পূৰ্ণভাৱে অনুশীলন এৰিবলগা হয়। ক্ৰীড়াৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি অহা পাঠশালা অঞ্চলৰ মাজমজিয়াত থকা এইখন খেলপথাৰৰ গুৰুত্ব অপৰিসীম যদিও ইয়াৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। ইপিনে, উক্ত খেলপথাৰখন মাটিৰে পৰিকল্পিতভাৱে পৰিপূৰ্ণ কৰাৰ উপৰি খেলপথাৰখনত নিশাৰ ভাগত পৰ্যাপ্ত বিদ্যুতৰ ব্যৱস্থা কৰা, লং জাম্পৰ বাবে জাম্পিং পিট নিৰ্মাণ কৰাৰ বাবে খেলুৱৈসকলে স্থানীয় বিধায়ক ধৰ্মেশ্বৰ ৰয়ক লিখিতভাৱে আবেদন জনাইছে।

■ অসম ভূমি ■ ২৯ জুলাই, ২০২৬ ■

## সম্পাদকৰ মেজৰ পৰা...

# কৰ্মফল-ঈৰ্ষা

আমি প্ৰায়ে আনৰ সফলতাক সহজে হজম কৰিব নোৱাৰি ঈৰ্ষাত জ্বলি-পুৰি যাওঁ। কিন্তু পাহৰি যাওঁ যে সেই জুয়ে নিজৰহে ক্ষতি কৰে। ঈৰ্ষাই কেনেকৈ আনৰ ঠাইত নিজৰ ক্ষতি কৰে তাক আমি এটা গল্পৰ জৰিয়তে উপলব্ধি কৰিব পাৰো। এখন অৰণ্যত দুটা ঈগল চৰাই ওচৰা-উচৰিকৈ বাস কৰিছিল। বাহিৰৰ পৰা দেখাত দুয়োৰে মাজত যথেষ্ট সদ্ভাৱ আছিল। কিন্তু আচলতে এটা ঈগলে আনটো ঈগলক মনে মনে খুব ঈৰ্ষা কৰিছিল। তাৰ কাৰণটো আছিল ঈৰ্ষাৰ পাত্ৰ হোৱা ঈগলটোৱে আনটো ঈগলতকৈ বহুত ওপৰলৈ উৰিব পাৰিছিল। আনটো ঈগলে বহুত চেষ্টা কৰিও তাৰ সমকক্ষ হ'ব নোৱাৰিছিল। ফলত ঈৰ্ষাই তুঁহ জুইৰ দৰে জ্বলি জ্বলি তাৰ ভিতৰখন পুৰি পেলাইছিল। এদিন এজন ব্যাধে চৰাই বিচাৰি সেই অৰণ্যত প্ৰৱেশ কৰিলে। গছৰ ওখ ডালত বহি থকা ঈগলটোৱে ব্যাধক দেখিয়েই তললৈ নামি আহিল আৰু বিনয় বিগলিত মাতেৰে ব্যধক ক'লে— 'আপোনাৰ কীৰ্তি কাহিনী এই অৰণ্যৰ সকলো চৰায়ে জানে। সিহঁতে আপোনাক দেৱতাৰ দৰে ভয় আৰু ভক্তি কৰে। ময়ো কৰোঁ। মই আপোনাক এটা অনুৰোধ কৰিব খোজোঁ— যদি আপুনি মোৰ অনুৰোধ ৰক্ষা কৰে, তেন্তে মই আপোনাক চৰাই ধৰাৰ কামত নমৰালৈকে সহায় কৰি থাকিম'। ব্যাধে কৌতূহলী হৈ সুধিলে— 'কি কাম কোৱাচোন? যদি মোৰ সাধ্য হয়, তেনেহ'লে নিশ্চয় কৰি দিম'। ঈগলটোৱে ক'লে— 'সৌ যে ডাঙৰ গছজোপা দেখিছে, তাত এটা ঈগল বাস কৰে, আপুনি সেই ঈগলটোক মাৰি মোৰ মনত শান্তি দিব লাগে'। ব্যাধে মুহূৰ্ততে ঈগলটোক লক্ষ্য কৰি ধনু-কাঁড় মাৰিলে। কিন্তু সেই সময়ত ঈগলটো আকাশৰ ইমান ওপৰত উৰি আছিল যে ব্যাধৰ ধনু-কাঁড়ে তাক স্পৰ্শ কৰিব নোৱাৰিলে। ব্যাধে ঈগলক ক'লে— 'তুমি যদি তোমাৰ ডেউকাৰ এডাল ডাঙৰ পাখি মোক দিয়া, তেন্তে মই কাঁড়ৰ শক্তি বৃদ্ধি কৰিব পাৰোঁ'। ঈগলটোৱে বিনাবাক্যে তাৰ ডেউকাৰ পৰা পাখি এডাল খুলি ব্যাধক দিলে। কিন্তু ব্যাধৰ এইবাৰৰ চেষ্টাও ব্যৰ্থ হ'ল। ঈগলটো ইতিমধ্যে প্ৰতিদ্বন্দ্বীক হত্যা কৰাৰ আশাত উন্মাদ হৈ উঠিছিল। ব্যাধৰ অনুৰোধলৈ বাট নাচাই সি ইডালৰ পাছত সিডাল পাখি নিজৰ গাৰ পৰা আঁজুৰি খুলি ব্যাধক দিবলৈ ধৰিলে। এনেকৈ দিওঁতে দিওঁতে তাৰ ডেউকাত পাখি প্ৰায় নোহোৱাৰ নিচিনাই হ'ল আৰু ঈগলটো উৰিব নোৱৰা হ'ল। ব্যাধে এই সুযোগলৈ বাট চাই আছিল। তেওঁ কাঁড় মাৰি ঈগলটোক মাৰি পেলালে। এই গল্পটোৰ পৰা এটা কথা স্পষ্ট হৈ পৰিল যে যাক ঈৰ্ষা কৰা হয় তেওঁতকৈ ঈৰ্ষা কৰোঁতাজনৰ ক্ষতি স্বাভাৱিকতে বেছি হয়।

আচলতে আমি আনক যি দিওঁ তাকে পাওঁ। যেতিয়াই আমি এটা কাম কৰোঁ, নিজকে এটা প্ৰশ্ন সুধি চাব পাৰোঁ— আমি উপাৰ্জন কৰা পইচাৰ বিনিময়ত যথাযথ আৰু উপযুক্ত কাম কৰিছোঁ নে নাই? সততা আৰু অসততা অভ্যাসৰ কথা। কিছুমানে অসততাৰ অভ্যাস কৰে। তেওঁলোকে যিকোনো অসৎ কাম সহজে কৰিব পাৰে। আন কিছুমানে সততাৰ অভ্যাস কৰে। তেওঁলোকে যিকোনো অসৎ কামৰ বিৰুদ্ধে মাত মাতে। এই কথাখিনি আমি এটা গল্পৰ জৰিয়তে বুজিবলৈ যত্ন কৰোঁ— এজন খেতিয়কে এজন ৰুটী দোকানীক এক পাউণ্ড ওজনৰ মাখন বিক্ৰী কৰে। এদিনাখন ৰুটী দোকানীজনে মাখনখিনিৰ পৰিমাণ ঠিক আছে নে নাই সেই কথাটো নিৰ্ণয় কৰিবলৈ মাখনখিনি ওজন কৰি দেখিলে যে তেওঁ কম পৰিমাণৰ মাখন পাইছে। তেওঁৰ খং উঠিল আৰু খেতিয়কজনৰ ওপৰত মোকৰ্দমা কৰিলে। বিচাৰকে খেতিয়কজনৰ পৰা কেনেদৰে তেওঁ মাখনখিনি ওজন কৰে সেই কথা জানিবলৈ বিচাৰিলে। খেতিয়কজনে ক'লে, 'ধৰ্মাৱতাৰ মই অতি পুৰণিকলীয়া মানুহ। মোৰ উপযুক্ত ধৰণৰ কোনো ওজন কৰা ব্যৱস্থা নাই। কিন্তু মোৰ এখন পাল্লা আছে'। তেন্তে তুমি মাখনৰ ওজন কেনেকৈ কৰিলা? খেতিয়কজনে ক'লে, 'ধৰ্মাৱতাৰ ৰুটী দোকানীজনে মোৰ পৰা মাখন কিনিবলৈ লোৱাৰ বহুত আগৰে পৰাই তেওঁৰ পৰা মই এক পাউণ্ড ওজনৰ ৰুটী এটা কিনি আহিছোঁ। প্ৰতিদিনে তেওঁ যেতিয়া মোক ৰুটীটো দিয়েহি, মই ৰুটীটোকে পাল্লাত তুলি সিমান ওজনৰ মাখন দি আহিছোঁ। যদি মোৰ ওজনৰ বাবে কোনোবা দায়ী, তেন্তে ৰুটী দোকানীজনহে দায়ী'। গতিকে আনৰ বেয়া কৰাৰ আগতে আমি সদায় মনত ৰাখিব লাগিব যে সেই বেয়া কামৰ ফল নিজেও এদিন ভোগ কৰিব লাগিব।

**চিন্তা কৰাৰ সংস্কৃতি মানে কেৱল মতামত প্ৰকাশ কৰা নহয়; সত্য অনুসন্ধান কৰা, যুক্তিৰে বিশ্লেষণ কৰা, মানৱীয় অনুভূতিক সন্মান কৰা আৰু সমাজৰ দায়িত্বশীল সদস্য হিচাপে নিজৰ ভূমিকা পালন কৰা। আজিৰ সামাজিক মাধ্যমত বহুতে সম্পূৰ্ণ তথ্য নাজানি মন্তব্য কৰে, অপ্ৰমাণিত তথ্য প্ৰচাৰ কৰে আৰু আৱেগক যুক্তিৰ ওপৰত স্থান দিয়ে। এই প্ৰৱণতাই গণতান্ত্ৰিক সমাজৰ বাবে বিপজ্জনক। কাৰণ, গণতন্ত্ৰৰ ভেটি কেৱল ভোটদান নহয়; সচেতন নাগৰিকৰ বিবেক। এইক্ষেত্ৰত মামণি ৰয়ছম গোস্বামীৰ সাহিত্য বিশেষভাৱে প্ৰাসংগিক। তেওঁৰ কালজয়ী উপন্যাস 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' কেৱল এটা সাহিত্যিক সৃষ্টি নহয়। ই এখন সমাজৰ নৈতিক অৱক্ষয়, কুসংস্কাৰ, বৈষম্য আৰু মানৱীয় বেদনা অনুধাৱন কৰাৰ এক শক্তিশালী ৰূপক। উঁয়ে খোৱা হাওদাৰ দৰে সমাজখন বাহ্যিকভাৱে শক্তিশালী যেন দেখালেও ভিতৰৰ পৰা যদি সততা, সহমৰ্মিতা, ন্যায়বোধ আৰু মানৱীয় মূল্যবোধ ক্ষয়িষ্ণু হয়, তেন্তে সেই সমাজ অধিক দিন সুস্থভাৱে টিকি থাকিব নোৱাৰে।**

# লাইক নহয়

## জ্ঞানেই জাতিৰ ভৱিষ্যৎ



ড° জ্যোতিষ গোস্বামী

অসমক চিন্তা কৰাৰ সংস্কৃতি দিয়া মনীষীসকলৰ উত্তৰাধিকাৰ আৰু ডিজিটেল যুগত প্ৰাসংগিকতা উপলব্ধি কৰা বৌদ্ধিক সৃষ্টিশীল সমাজৰ এক নৈতিক দায়িত্ব। কোনো এটা জাতিৰ উন্নতি কেৱল অৰ্থনৈতিক অগ্ৰগতি বা প্ৰযুক্তিগত উৎকৰ্ষত সীমাবদ্ধ নাথাকে। জাতিৰ প্ৰকৃত উন্নতি নিৰ্ভৰ কৰে চিন্তাৰ গভীৰতা, সাহিত্য-সংস্কৃতি, গৱেষণামুখী মনোভাব, নৈতিকতা আৰু মানৱীয় মূল্যবোধৰ ওপৰত। আজিৰ ডিজিটেল যুগত, য'ত সামাজিক মাধ্যমৰ 'লাইক', 'শ্বেয়াৰ' আৰু 'ভাইৰেল' শব্দসমূহে জনপ্ৰিয়তাৰ নতুন সংজ্ঞা দিছে, তাতেই এক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন হৈছে আমি চিন্তা কৰিছো নে কেৱল প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছো?

এই প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈ হ'লে অসমীয়া জাতিৰ বৌদ্ধিক ইতিহাসলৈ উভতি চাব লাগিব। এই ইতিহাসত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ, হোমেন বৰগোহাঞি আৰু মামণি ৰয়ছম গোস্বামীৰ দৰে মনীষীসকলৰ অৱদান এক উজ্জ্বল আলোকস্তম্ভৰ দৰে জিলিকি আছে। তেওঁলোকে অসমক কেৱল সাহিত্য, ৰাজনীতি, সংগীত বা শিক্ষা দিয়া নাই; তেওঁলোকে অসমক চিন্তা কৰাৰ সংস্কৃতি দিছে।

চিন্তা কৰাৰ সংস্কৃতি মানে কেৱল মতামত প্ৰকাশ কৰা নহয়; সত্য অনুসন্ধান কৰা, যুক্তিৰে বিশ্লেষণ কৰা, মানৱীয় অনুভূতিক সন্মান কৰা আৰু সমাজৰ দায়িত্বশীল সদস্য হিচাপে নিজৰ ভূমিকা পালন কৰা। আজিৰ সামাজিক মাধ্যমত বহুতে সম্পূৰ্ণ তথ্য নাজানি মন্তব্য কৰে, অপ্ৰমাণিত তথ্য প্ৰচাৰ কৰে আৰু আৱেগক যুক্তিৰ ওপৰত স্থান দিয়ে। এই প্ৰৱণতাই গণতান্ত্ৰিক সমাজৰ বাবে বিপজ্জনক। কাৰণ, গণতন্ত্ৰৰ ভেটি কেৱল ভোটদান নহয়; সচেতন নাগৰিকৰ বিবেক।

এইক্ষেত্ৰত মামণি ৰয়ছম গোস্বামীৰ সাহিত্য বিশেষভাৱে প্ৰাসংগিক। তেওঁৰ কালজয়ী উপন্যাস 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' কেৱল এটা সাহিত্যিক সৃষ্টি নহয়। ই এখন সমাজৰ নৈতিক অৱক্ষয়, কুসংস্কাৰ, বৈষম্য আৰু মানৱীয় বেদনা অনুধাৱন কৰাৰ এক শক্তিশালী ৰূপক। উঁয়ে খোৱা হাওদাৰ দৰে সমাজখন বাহ্যিকভাৱে শক্তিশালী যেন দেখালেও ভিতৰৰ পৰা যদি সততা, সহমৰ্মিতা, ন্যায়বোধ আৰু মানৱীয় মূল্যবোধ ক্ষয়িষ্ণু হয়, তেন্তে সেই সমাজ অধিক দিন সুস্থভাৱে টিকি থাকিব নোৱাৰে। আজিৰ ডিজিটেল যুগত এই ৰূপক অধিক অৰ্থৱহ। আমাৰ হাতত অত্যাধুনিক প্ৰযুক্তি আছে; কিন্তু যদি বিবেক, সহিষ্ণুতা আৰু নৈতিকতা ক্ষয় হয়, তেন্তে সেই উন্নয়নো উঁয়ে খোৱা হাওদাৰ দৰেই ভিতৰৰ পৰা ভাঙি পৰিব।

হোমেন বৰগোহাঞিয়ে সম্পাদকীয়ৰ জৰিয়তে অসমীয়া সমাজক যুক্তিৰে চিন্তা কৰিবলৈ শিকাইছিল। তেওঁৰ লেখা পঢ়িলে পাঠকে সকলো সময়তে সন্মতি নাপাব পাৰে; কিন্তু চিন্তা কৰিবলৈ বাধ্য হ'ব। এয়াই এজন প্ৰকৃত বুদ্ধিজীৱীৰ সাফল্য।

ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই 'মৃত্যুঞ্জয়'ৰ দৰে উপন্যাসৰ জৰিয়তে মানৱতা, স্বাধীনতা আৰু আত্মত্যাগৰ মূল্যবোধ প্ৰতিষ্ঠা কৰিছিল। পণ্ডিত কৃষ্ণকান্ত সন্দিকৈয়ে জ্ঞানক জীৱনৰ সাধনা হিচাপে গ্ৰহণ কৰি ভাষা, অভিধান আৰু গৱেষণাৰ ক্ষেত্ৰত অসমক এক দৃঢ় বৌদ্ধিক ভিত্তি প্ৰদান কৰিছিল।

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই আত্মসমালোচনাৰ শিক্ষা দিছিল। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই শিল্পৰ মাজেৰে জাতীয় চেতনা জগাই তুলিছিল। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই সংস্কৃতিক সামাজিক মুক্তিৰ শক্তি হিচাপে প্ৰতিষ্ঠা কৰিছিল। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই সংগীতক মানৱতাৰ ভাষা কৰি তুলিছিল। লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে ৰাজনীতিত সততা, দূৰদৰ্শিতা আৰু জনকল্যাণৰ আদৰ্শ স্থাপন কৰিছিল। এই সকলো মনীষীৰ জীৱনত এক সাধাৰণ সূত্ৰ আছে মানুহক চিন্তা কৰিবলৈ শিকোৱা।

বাস্তৱ জীৱনত আজি আমি বহু সংকটৰ ■ ১০ পৃষ্ঠাত



*কৌশলগত সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা— বিশেষকৈ কিছুমান পাজল (Puzzle) বা কৌশলভিত্তিক ভিডিঅ' গেমে শিশুৰ সমস্যা সমাধানৰ ক্ষমতা বৃদ্ধি কৰে। কম সময়ৰ ভিতৰত কেনেকৈ খেলত লক্ষ্যত উপনীত হ'ব লাগে, তাৰ বাবে মগজুৰে যি খৰতকীয়া বিশ্লেষণ কৰিবলগীয়া হয়, সিয়ে শিশুৰ 'ৰিফ্লেক্স' আৰু মানসিক সজাগতা তীক্ষ্ণ কৰি তোলে। প্ৰতিটো মুদ্ৰাৰে এটা ওলোটা পিঠি থকাৰ দৰে, এই মাধ্যমৰ অতিৰিক্ত ব্যৱহাৰ আৰু আসক্তিয়ে শিশুৰ মনস্তত্ত্বৰ ওপৰত এক ভয়ংকৰ আৰু দীৰ্ঘম্যাদী কু-প্ৰভাৱ পেলাই আহিছে, যিটো আটাইতকৈ চিন্তনীয় বিষয়। সামাজিক আৰু শাৰীৰিক স্থবিৰতা— বাস্তৱ জগতখন এৰি এই ভাৰ্চুৱেল পৃথিৱীত বিলীন হৈ থকাৰ বাবে শিশুসকল লাহে লাহে আত্মীয়-স্বজন, বন্ধু-বান্ধৱৰ পৰা আঁতৰি এক আৱেগিক শূন্যতাৰ মাজত ডাঙৰ হয়। খেলপথাৰৰ অভাৱে তেওঁলোকক কায়িকভাৱে দুৰ্বল কৰাৰ লগতে মেদবহুলতা আৰু অনিদ্ৰাৰ দৰে শাৰীৰিক ৰোগৰ ফালে ঠেলি দিয়া পৰিলক্ষিত হয়।*

# কাৰ্টুন-ভিডিঅ' গেম শিশুৰ মানসিক উৎকৰ্ষৰ সাৰথি নে ব্যাধি ?



**কল্পনা দত্ত**

সময়ৰ সোঁতত শৈশৱৰ সংজ্ঞা আৰু সঁজুলিবোৰ আচৰিত ধৰণে সলনি হৈছে। আমাৰ পুৰণি প্ৰজন্মৰ শৈশৱটো য'ত চোতালৰ ধূলি-বালি, গছৰ ছাঁ, জোনাক নিশাৰ সাধুকথা আৰু মুকলি পথাৰৰ লৰা-ঢপৰাৰ মাজত প্ৰাণৱন্ত হৈ আছিল; আজিৰ নৱপ্ৰজন্ম বা শিশুসকলৰ শৈশৱটো ঠিক তাৰ বিপৰীতে টেলিভিছনৰ ৰঙীন কাৰ্টুন ছিৰিয়েল বা ম'বাইল-কম্পিউটাৰৰ ভিডিঅ' গেমৰ এক কৃত্ৰিম আবেষ্টনীৰ মাজলৈ সংকুচিত হৈ পৰিছে। আজিকালি প্ৰায় প্ৰতিখন ঘৰৰে এটা অতি সাধাৰণ ছবি-ব্যস্ত অভিভাৱকে শিশুটিক অলপ শান্ত কৰি ৰাখিবলৈ বা ভাতকেইটা খুৱাবলৈ হাতত ম'বাইলটো তুলি দিয়ে। কিন্তু ইয়াৰ মাজতে এটা অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন লুকুৱাই আছে —এই কাৰ্টুন বা ভিডিঅ' গেমসমূহে শিশুৰ মানসিক উৎকৰ্ষ সাধনত সঁচাকৈয়ে সহায় কৰিছে নে ই তেওঁলোকৰ কোমল মনটোক এক যান্ত্ৰিক জড়তালৈ ঠেলি দিছে নেকি বাৰু?

**ই এক গভীৰ প্ৰশ্ন?**

কৌতূহল আৰু বৈজ্ঞানিক একাগ্ৰতাৰ সাৰথি ডিজিটেল মাধ্যমক আমি পোনপটীয়াকৈ সম্পূৰ্ণ বৰ্জন বা গৰিহণা দিব নোৱাৰো। আধুনিক শিক্ষা আৰু মনস্তত্ত্ব বিজ্ঞানৰ কিছুমান গৱেষণাই দেখুৱাইছে যে যদিহে বিষয়বস্তু শিক্ষামূলক হয়, তেন্তে কাৰ্টুন আৰু ভিডিঅ' গেমে শিশুৰ মগজুৰ কাৰ্যক্ষমতা বৃদ্ধিত ইতিবাচক ভূমিকা ল'ব পাৰে।

সেয়েহে শিশুৰ ক্ষেত্ৰত সহায়ক হোৱা কিছু বিষয়বস্তু তলত দিয়া হ'ল ঃ

কল্পনাশক্তি আৰু ভাষাৰ বিকাশ— এনিমেচন চিনেমা বা কিছুমান ধাৰাবাহিকে শিশুৰ কল্পনাক ডেউকা দিয়ে। মহাকাশ, বন্যপ্ৰাণী বা পঞ্চতন্ত্ৰৰ সাধু ভিত্তিক কাৰ্টুনবোৰে তেওঁলোকৰ শব্দভাণ্ডাৰ বৃদ্ধি কৰাৰ লগতে নতুন ভাষা শিকাৰ প্ৰক্ৰিয়াটো সহজ কৰি তোলে।

কৌশলগত সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা— বিশেষকৈ কিছুমান পাজল (Puzzle) বা কৌশলভিত্তিক ভিডিঅ' গেমে শিশুৰ সমস্যা সমাধানৰ ক্ষমতা বৃদ্ধি কৰে। কম সময়ৰ ভিতৰত কেনেকৈ খেলত লক্ষ্যত উপনীত হ'ব লাগে, তাৰ বাবে মগজুৰে যি খৰতকীয়া বিশ্লেষণ কৰিবলগীয়া হয়, সিয়ে শিশুৰ 'ৰিফ্লেক্স' আৰু মানসিক সজাগতা তীক্ষ্ণ কৰি তোলে।

প্ৰতিটো মুদ্ৰাৰে এটা ওলোটা পিঠি থকাৰ দৰে, এই মাধ্যমৰ অতিৰিক্ত ব্যৱহাৰ আৰু আসক্তিয়ে শিশুৰ মনস্তত্ত্বৰ ওপৰত এক ভয়ংকৰ আৰু দীৰ্ঘম্যাদী কু-প্ৰভাৱ পেলাই আহিছে, যিটো আটাইতকৈ চিন্তনীয় বিষয়।

আক্ৰমণাত্মক আচৰণ আৰু হিংস্ৰতা আজিকালিৰ বহুতো ভিডিঅ' গেম বা আধুনিক কাৰ্টুনত প্ৰচুৰ পৰিমাণে কটা-কটি, যুদ্ধ বা উগ্ৰ ধাউতি দেখুওৱা হয়। শিশুৰ কোমল অৱচেতন মনে এই দৃশ্যবোৰক অতি স্বাভাৱিক বুলি গ্ৰহণ কৰে আৰু লাহে লাহে তেওঁলোকৰ বাস্তৱ আচৰণতো এক খিংখিঙীয়া, জেদী আৰু আক্ৰমণাত্মক ভাব ফুটি উঠে।



একাগ্ৰতাৰ অভাৱ— টিভিত বা ম'বাইলত ছেকেণ্ডে ছেকেণ্ডে সলনি হোৱা তীব্ৰ পোহৰ আৰু দ্ৰুত দৃশ্যবোৰ চাই থকাৰ বাবে শিশুৰ স্বাভাৱিক মন সংযোগ কৰাৰ ক্ষমতা কমি যায়। ইয়াৰ ফলত তেওঁলোকে পৰৱৰ্তী সময়ত কিতাপৰ পাতত বা শ্ৰেণীকোঠাৰ পাঠত দীৰ্ঘসময় ধৰি মনোযোগ ধৰি ৰাখিব নোৱাৰে।

সামাজিক আৰু শাৰীৰিক স্থবিৰতা— বাস্তৱ জগতখন এৰি এই ভাৰ্চুৱেল পৃথিৱীত বিলীন হৈ থকাৰ বাবে শিশুসকল লাহে লাহে আত্মীয়-স্বজন, বন্ধু-বান্ধৱৰ পৰা আঁতৰি এক আৱেগিক শূন্যতাৰ মাজত ডাঙৰ হয়। খেলপথাৰৰ অভাৱে তেওঁলোকক কায়িকভাৱে দুৰ্বল কৰাৰ লগতে মেদবহুলতা আৰু অনিদ্ৰাৰ দৰে শাৰীৰিক ৰোগৰ ফালে ঠেলি দিয়া পৰিলক্ষিত হয়।

দুয়োটা দিশ চালি-জাৰি চাই এক সমতুল্য বিশ্লেষণ আগবঢ়োৱা হ'ল—

নিয়ন্ত্ৰণ এতিয়া কাৰ হাতত আছে?

দেখা যায় যে কাৰ্টুন বা ভিডিঅ' গেম নিজে কেতিয়াও সম্পূৰ্ণ অপৰাধী নহয়। ই শিশুৰ বাবে মানসিক উৎকৰ্ষৰ সাৰথি হ'ব নে এক মানসিক ব্যাধি হ'ব-তাৰ চাবিকাঠী আচলতে নিয়ন্ত্ৰণকাৰী বা অভিভাৱকসকলৰ হাততহে থাকে। প্ৰযুক্তিবিদ্যা এক উত্তম সঁজুলি হ'ব পাৰে, কিন্তু তাক কেতিয়াও শিশুৰ 'অভিভাৱক' বা 'একমাত্ৰ সংগী' হ'বলৈ দিব নোৱাৰি। ইয়াত পৰিয়ালৰ ভূমিকা আটাইতকৈ গুৰুত্বপূৰ্ণ।

প্ৰথমতে, শিশুৰ টিভি বা ম'বাইল চোৱাৰ সময়সীমা দিনটোত ১ ঘণ্টাতকৈ বেছি হ'ব নালাগে।


দ্বিতীয়তে, তেওঁলোকে কি চাই আছে বা কি গেম খেলি আছে, তাৰ ওপৰত তীব্ৰ নিৰীক্ষণ থাকিব লাগে। হিংস্ৰ খেলৰ সলনি শিক্ষামূলক আৰু গঠনমূলক এনিমেচন বা বাছি দিব লাগে।

সামৰণিত উল্লেখ কৰিব বিচাৰো— শিপা আৰু প্ৰযুক্তিৰ সমন্বয় ডিজিটেল মনোৰঞ্জন আধুনিক যুগৰ এক বাস্তৱতা, ইয়াক সম্পূৰ্ণৰূপে নুই কৰা অসম্ভৱ। কিন্তু এটি শিশুৰ প্ৰকৃত আৰু সুস্থ মানসিক উৎকৰ্ষ তেতিয়াহে সম্ভৱ, যেতিয়া তেওঁ প্ৰযুক্তিৰ ব্যৱহাৰ কৰাৰ সমান্তৰালভাৱে নিজৰ মাটি, সংস্কৃতি আৰু প্ৰকৃতিৰ উশাহ ল'বলৈ সুযোগ পাব। ম'বাইলৰ কৃত্ৰিম স্ক্ৰীনখনৰ বাহিৰেও যে কিতাপৰ পাতত এক অপূৰ্ব পৃথিৱী আছে, আইতাক-ককাকৰ কোলাত সঁচা মৰম আৰু সাধুকথাৰ যাদু আছে, সেয়া শিশুটিক অনুভৱ কৰোৱাব লাগিব। যেতিয়া আমি ডিজিটেল মাধ্যমৰ গঠনমূলক ব্যৱহাৰ আৰু বাস্তৱ জীৱনৰ আৱেগিক শিক্ষাৰ মাজত এক সুন্দৰ ভাৰসাম্য ৰক্ষা কৰিব পাৰিম, তেতিয়াহে আমাৰ অনাগত প্ৰজন্মৰ মানসিক আৰু বৌদ্ধিক বিকাশ আচল অৰ্থত সুন্দৰ আৰু সুৰক্ষিত হৈ উঠিব। ■

# চন্দ্ৰাৱলী

সংগীতা ডেকা

হঠাৎ মনত পৰিছে কাগজৰ নৌকাখনলৈ
উভতি যাব যে নোৱাৰি,
সেই স্মৃতি মধুৰ যাত্ৰালৈ
সোঁৱৰণিবোৰ মাথোঁ পঢ়িহে গৈছো
এলবামৰ পাতত... !
এতিয়াচোন সময়বোৰ মহামূল্যৱান ৰতন
হৃদয়ৰ আঙুলিত পৰিহিত হ'বলৈ
অনুভৱে সিহঁতক, ঢুকিয়েই নাপায়... !
তুলিকাক পখালি, ভাবনাই সোধে
পানীছবিৰ মাজত, কোন সেই কাব্যস্নাতা ?
উৰলি যাব ধৰিছে দেখো, তাইৰ ধূসৰিত কাহিনী
মই কওঁ, 'শুনা তুমি চিন্তা নকৰিবা
বুটলি ল'ম সেয়া এবাহ ভৰাই, চিঞাহীৰ বিৰিখত !'
শীৰ্ণ হৈও যে শীৰ্ণ নহয়, এই ৰ'দৰ চালিখন
ক্ৰমান্বয়ে চেষ্টাৰত; চন্দ্ৰাৱলী সজাবলৈ।



# অনুভৱৰ হৃদয়ৰ

ৰুবি বুঢ়াগোহাঁই

নিসিঁচিবা আৰু হৃদয়ৰ মৰুভূমিত
তোমাৰ পৰিচয়ৰ বীজ
এটুপি পানীৰ অবিহনে
নেমেলে তাত গজালি
হৃদয়ে জানে মাথোঁ, হৃদয়ৰ আৱেগ
হৃদয়ে বুজে মাথোঁ, হৃদয়ৰ অভাৱ
টুকুৰা-টুকুৰ হৈ পৰিছে
মোৰ হৃদয়।
সেয়েহে আজি মনত পৰে
অতীতবোৰলৈ
মন যায় আকৌ এবাৰ
অতীতৰ ধুনীয়া পৃথিৱীখন
জুমি চাবলৈ...।
হাঁহি হাঁহি জীৱন কটোৱা
সুন্দৰ দিনবোৰ যেন
হাততে হেৰাল
ভবা নাছিলো যে
সেই হাঁহিবোৰ নাইকিয়া হৈ
কান্দোনলৈ ৰূপান্তৰ হ'ব !
যৱনিকা পৰিল নেকি এটি সুন্দৰ অধ্যায়ৰ !
য'ত অঁকা আছিল
এখনি সুন্দৰ আলোকচিত্ৰ
চাই চাই হেঁপাহ নপলোৱা,
য'ত অঁকা আছিল
এখনি সুন্দৰ ৰামধেনু
খেলিছিলো সাতোৰঙৰ ৰঙেৰে
হেঁপাহ পলুৱাই,
যৱনিকা পৰিল নেকি
এটি সুন্দৰ অধ্যায়ৰ ?





# তুমি এৰি যোৱাৰ দিন ধৰি

সুশান্ত বৰুৱা

বসন্তৰ কুঁহিপাতে সুহুৰি বজালে
নৈখন গাভৰু হয়
তুমি এৰি যোৱাৰ দিন ধৰি
মই কথা হোৱা নাই নৈখনৰ লগত।
পানী অনা ঘাটত তোমাৰ খোজৰ চিন বিচাৰো
সুধিম বুলিও ঘাটৈক সুধিব পৰা নাই
কঁহুৱা, বিৰিণাক সোধা হোৱা নাই
যিদৰে ৰাধাই বাৰে বাৰে যমুনাক সুধিছিল
গছ-লতিকা, চৰাই-চিৰিকটিক সুধিছিল
কানাইৰ কথা
কেতিয়াবা ধৰি লওঁ—
তুমি মোৰ পৰা আঁতৰি পলাশ হৈ ফুলিছা
তুলা হৈ উৰিছা
শুকান পাত হৈ সৰিছা।
তুমি মেঘ হৈছা
বৰষুণ হৈ আকৌ মোক জীপাল কৰিছা
আৰু এদিন
বৰদৈচিলা হৈ ভাঙি পেলাইছা হৃদয় পঁজা
তুমি এৰি যোৱাৰ দিন ধৰি
মোৰ চহৰত কোনো উৎসৱ উদ্‌যাপিত হোৱা নাই
শাৰদী ৰাতি জোন গলা নাই
আঘোণৰ পথাৰত টুনী চৰাই নাই
শাওণ, ফাগুন সকলোতে কেৱল শূন্যতা
তুমি নোহোৱাৰ পৰা
মই ভালকৈ উশাহ ল'ব পৰা নাই
মোৰ উশাহ আছিলা তুমি
লৃগাঙত কাৰ বুকুত সিঁচিলা
ভালপোৱাৰ গুটি
দশকজুৰি উদং মোৰ বুকুৰ বাকৰি
তুমি নিঃতম জুৰিলা
মই কাবান যেন শুনিলো
তুমি গুমৰাগ নাচিলা
মই মৃত্যুৰ লগত যুঁজ কৰিলো
তুমি আপঙৰ ৰাগিত মাতাল হ'লা
আৰু তুমি এৰি যোৱাৰ দিন ধৰি
মই উপবাসে আছো
বসন্তৰ কুঁহিপাতে সুহুৰি বজালে
নৈখন গাভৰু হয়
গাভৰু নৈক তোমাৰ কথা সুধিবলৈ ভয়
কিজানিবা লুকুৱাই থয়।



# বৰ্ষাৰ অপেক্ষাত

নিৰ্মালি কাকতি

ব'হাগী অ' তই মাগিলি বিদায়
বৰ্ষা সখীজনীক দিবি দেই পঠায়,
গাঁৱলীয়া চহাৰ কিমান যে সপোন
তই আহিলেই জুৰাব বুকু।
আতোলতোলকৈ ৰাখিছে বলধ হাল
যতনাই ৰাখিছে নাঙল, যুৱলি, ফাল,
তোৰ অপেক্ষাত বুকুখন সাতখন আঠখন
তই আহিলে যুটিব হালখন।
জেঠৰ ভৰদুপৰীয়া সিঁচিব কঠীয়া
শাওণৰ পথাৰখন হ'ব লহপহীয়া,
তই আমাৰ অতি মৰমৰ বৰ্ষাৰাণী
প্ৰতিশ্ৰুতি দিয় সেউজীয়া বোল সানি।
পুনৰায় ক'লো অ' ব'হাগী বাই
বৰ্ষা সখীক সোনকালেই দিবি পঠিয়ায়,
বোকা-মাটিতেই আমি পাওঁ সৰগ ঢুকি
গাঁৱলীয়া আমি গাঁৱৰে আঁকো ছবি।




# হে আধুনিকা তোমাৰ চুলিকোছা...

নন্দেশ্বৰ মিলি

অ' আধুনিকা তোমাৰ চুলিকোছা ইমান ধুনীয়া
কি তেল দি তুমি মালিচ কৰা নিতৌ দিনে-নিশা ?
তোমাৰ নীলাভ চুলিটাৰিত লগোৱানে
হেনা-ছেম্পু, জবা-যূতি আৰু কপৌফুলৰ পাহি ?
লাজুকীলতাও নিলাজ হ'ব
তোমাৰ চুলিটাৰিৰ প্ৰেমত পৰি।
ঢৌ খেলোৱা তোমাৰ চুলিকোছা
বতাহৰ আলিংগনত কৰে উঠা-নমা
ছানগ্লাছ পিন্ধিলে লাগে যেন তোমাক
সাইলাখ মায়াৱী সুন্দৰী।
তোমাৰ চুলিটাৰিৰ ভাঁজে ভাঁজে
কবিতা কবিতা এটি গোন্ধ ভাহে
যেতিয়া তুমি হাতেৰে বোলোৱা
দুহাতৰ আঙুলি।
তোমাৰ চুলিটাৰিৰ প্ৰেমত পৰি
দিনে-নিশাই মই ৰচো
কবিতা কবিতা লগা পংক্তি।

# বন্দে মাতৰম্ গীতৰ ইতিহাস



**বন্দে মাতৰম্ হৈছে ভাৰতৰ ৰাষ্ট্ৰীয় গীত। ১৮৭৫ চনৰ ৭ নৱেম্বৰত বংকিমচন্দ্ৰ চট্টোপাধ্যায়ে দেশমাতৃৰ বন্দনাৰে বন্দে মাতৰম্ গীতটো ৰচনা কৰিছিল। পৰৱৰ্তী সময়ত ১৮৮২ চনত প্ৰকাশ পোৱা আনন্দমঠ উপন্যাস এই গীতটো সন্নিৱিষ্ট কৰা হয়। বন্দে মাতৰম্ গীতটো হ'ল আমাৰ পৰাধীন দেশৰ স্বাধীনতা সেনানীসকলৰ লগতে সমগ্ৰ ভাৰতবাসীক উদ্বুদ্ধ কৰি তোলা, সংগ্ৰামী ভাৰতীয় জনগণক হাজাৰ গুণ উৎসাহিত কৰি তোলা এক অমোঘ অস্ত্ৰ। এই বন্দে মাতৰম্ গীতৰ প্ৰথমজন গায়ক আছিল ভৱানন্দ। মল্লাৰ আৰু কাৱালী তালত এই বন্দে মাতৰম্ গীতটি পৰিৱেশন কৰিছিল। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰদেৱে এই বন্দে মাতৰম্ গীতক 'বিশ্বমাতৃৰ বন্দনা' বুলি অভিহিত কৰিছিল। ঋষি অৰবিন্দই কৈছিল— 'বন্দে মাতৰম্ গীতৰ মাজেদি ভাৰত মাতৃৰ প্ৰকৃত আৰু সম্পূৰ্ণ মাতৃ ৰূপৰ পূৰ্ণ প্ৰকাশ ঘটিছে।' এই বন্দে মাতৰম্ গীতটো ১৯৩৭ চনলৈকে ভাৰতৰ জাতীয় সংগীত হিচাপে ব্যৱহৃত হৈ আছিল। কিন্তু মুছলিম লীগে এই বন্দে মাতৰম্ গীত গাবলৈ আপত্তি কৰি বিৰোধ কৰিছিল কাৰণ এই গীতত আছিল— ত্বাং হি দুৰ্গা দশ প্ৰহৰণ ধাৰিণী কমলা কমল দল বিহাৰিনী বাণী বিদ্যা দায়িনী নমামি ত্বং...**

কেশৱ ভূএগ্ৰা


বন্দে মাতৰম্ অৰ্থাৎ ভাৰত মাতৃৰ বন্দনা। এই বন্দে মাতৰম্ এটা শব্দ নহয়, ই ভাৰতবাসীৰ আৱেগ, দেশমাতৃৰ প্ৰতি শ্ৰদ্ধা। বন্দে মাতৰম্ আমাৰ সাহস, উৎসাহ, প্ৰেৰণা আৰু আগবাঢ়ি যোৱাৰ মূল শক্তি। আমাৰ দেশক মাতৃভূমিৰূপেৰে উপলব্ধি কৰাৰ এক অমোঘ মহামন্ত্ৰ। এই বন্দে মাতৰম্ শব্দ বিভিন্ন সময়ত বিভিন্নৰূপে ব্যৱহাৰ কৰা দেখা যায়। আনন্দ-উল্লাসৰ সময়ত জয় ঘোষ হিচাপে, স্বাধীনতা যুদ্ধৰ সময়ত উৎসাহ আৰু প্ৰেৰণাৰ বাবে শ্ল'গান হিচাপে, ছহিদে হাঁহিমুখে মৃত্যুক আঁকোৱালি লোৱাৰ সময়ত অমৰবাণী হিচাপে এই বন্দে মাতৰম্ ব্যৱহাৰ কৰা দেখা যায়।

বন্দে মাতৰম্ হৈছে ভাৰতৰ ৰাষ্ট্ৰীয় গীত। ১৮৭৫ চনৰ ৭ নৱেম্বৰত বংকিমচন্দ্ৰ চট্টোপাধ্যায়ে দেশমাতৃৰ বন্দনাৰে বন্দে মাতৰম্ গীতটো ৰচনা কৰিছিল। পৰৱৰ্তী সময়ত ১৮৮২ চনত প্ৰকাশ পোৱা আনন্দমঠ উপন্যাস এই গীতটো সন্নিৱিষ্ট কৰা হয়। বন্দে মাতৰম্ গীতটো হ'ল আমাৰ পৰাধীন দেশৰ স্বাধীনতা সেনানীসকলৰ লগতে সমগ্ৰ ভাৰতবাসীক উদ্বুদ্ধ কৰি তোলা, সংগ্ৰামী ভাৰতীয় জনগণক হাজাৰ গুণ উৎসাহিত কৰি তোলা এক অমোঘ অস্ত্ৰ। এই বন্দে মাতৰম্ গীতৰ প্ৰথমজন গায়ক আছিল ভৱানন্দ। মল্লাৰ আৰু কাৱালী তালত এই বন্দে মাতৰম্ গীতটি পৰিৱেশন কৰিছিল। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰদেৱে এই বন্দে মাতৰম্ গীতক 'বিশ্বমাতৃৰ বন্দনা' বুলি অভিহিত কৰিছিল। ঋষি অৰবিন্দই কৈছিল— 'বন্দে মাতৰম্ গীতৰ মাজেদি ভাৰত মাতৃৰ প্ৰকৃত আৰু সম্পূৰ্ণ মাতৃ ৰূপৰ পূৰ্ণ প্ৰকাশ ঘটিছে।' এই বন্দে মাতৰম্ গীতটো ১৯৩৭ চনলৈকে ভাৰতৰ জাতীয় সংগীত হিচাপে ব্যৱহৃত হৈ আছিল। কিন্তু মুছলিম লীগে এই বন্দে মাতৰম্ গীত গাবলৈ আপত্তি কৰি বিৰোধ কৰিছিল কাৰণ এই গীতত আছিল— ত্বাং হি দুৰ্গা দশ প্ৰহৰণ ধাৰিণী কমলা কমল দল বিহাৰিনী বাণী বিদ্যা দায়িনী নমামি ত্বং...

অৰ্থাৎ এই গীতত দেশমাতৃক দশভূজা মা দুৰ্গা, কমলা, বিদ্যাদায়িনী সৰস্বতী আদি হিন্দু দেৱ-দেৱীৰ নাম উল্লেখ থকাৰ বাবে নোগোৱাৰ সিদ্ধান্ত লৈছিল বাবে ১৯৩৭ চনত এই গীতে ৰাষ্ট্ৰীয় সংগীতৰ মৰ্যাদা হেৰুৱাই তাৰ ঠাইত পঞ্চম জৰ্জ ভাৰতলৈ অহাৰ সময়ত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে ৰচনা কৰা 'জন গণ মন অধিনায়ক জয় হে...' শীৰ্ষক গীতটোৱে ৰাষ্ট্ৰীয় সংগীতৰ মৰ্যাদা লাভ কৰে।

বংগ ভংগ আৰু বন্দে মাতৰম্ ঃ দেশৰ স্বাধীনতা আন্দোলনে ব্যাপক ৰূপ ধাৰণ কৰাৰ সময়তে বংগদেশত ক্ৰমবৰ্ধমান ইংৰাজবিৰোধী চিন্তা-চৰ্চা, ক্ৰিয়াকলাপ আৰু ভাৰতীয়সকলৰ মাজত উগ্ৰ জাতীয়তাবাদী মনোভাৱৰ উত্থানে ইংৰাজ শাসক গোষ্ঠীক চিন্তিত কৰি তুলিছিল। ঠিক সেই সময়তে বংগদেশৰ হিন্দু আৰু মুছলমানসকলৰ মাজত ঐক্য-সম্প্ৰীতি বিনষ্ট কৰাৰ বাবে ভাগ কৰা আৰু শাসন কৰা (Dived & Rule) নীতিৰ প্ৰযোজ্য কৰিবলৈ লৰ্ড কাৰ্জনে বংগ ভংগৰ প্ৰস্তাৱ আগবঢ়ায়। এই প্ৰস্তাৱ অনুসৰি উত্তৰ আৰু পূব বংগৰ লগত অসমক লৈ এটা ভাগ আৰু পশ্চিমবংগৰ লগত বিহাৰ আৰু উৰিষ্যাক লৈ আন এটা ভাগত সুবিধাৰ্থেহে দুটা ভাগত বিভাক্ত কৰিব বিচাৰিছে। কিন্তু এই ষড়যন্ত্ৰক স্বাভাৱিকতে বংগৰ জনগণে জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে কোনেও মানি লোৱা নাছিল। অসন্তুষ্ট হৈ বিপিন চন্দ্ৰ পাল, কৃষ্ণ কুমাৰ মিশ্ৰ, শ্যাম সুন্দৰ চক্ৰৱৰ্তী আদি ব্যক্তিসকলৰ নেতৃত্বত বহু লোকে জন গ্ৰহণ কৰিছিল। যেতিয়া এই আন্দোলনে সৰ্বাত্মক ৰূপ ল'লে তেতিয়া ইংৰাজ চৰকাৰ চিন্তিত হৈ পৰিল। এই আন্দোলনক জনআন্দোলন আৰু একতা ৰক্ষা কৰা আন্দোলন কৰাৰ বাবে ৰবীন্দ্ৰনাথ ঠাকুৰে ৰাখী বন্ধন কৰিবলৈ আহ্বান জনায়। সেই অনুসৰি ১৯০৫ চনৰ অক্টোবৰত বিভক্ত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। চাৰিওফালে ইয়াৰ প্ৰতিক্ৰিয়া আৰম্ভ হোৱাত ইংৰাজে এই বিষয়টো ওলোটাকৈ প্ৰচাৰ কৰিছিল যে প্ৰশাসন ব্যৱস্থান জাগৰণৰ উদ্দেশ্যে তীব্ৰ আন্দোলন আৰম্ভ কৰে। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰেও বংগবাসীৰ হৃদয়ত দেশাত্মবোধৰ ভাব জগাই তুলিবৰ বাবে বিশেষ ভূমিকা হাজাৰ হাজাৰ জনগণে গংগাত স্নান কৰি পৰস্পৰে পৰস্পৰৰ হাতত ৰাখী বান্ধি বন্দে মাতৰম্ ধ্বনি দি বংগ বিভাজনৰ বিৰুদ্ধে সংকল্প গ্ৰহণ কৰে।

■ ১০ পৃষ্ঠাত



*পুৰুষ এজনৰ বাবে নিজৰ পত্নীৰ চৰিত্ৰ পবিত্ৰতাৰ প্ৰতীক। তেওঁলোকে সংসাৰৰ সকলো সুখ-দুখৰ অংশীদাৰ হোৱাৰ লগতে পৰস্পৰৰ প্ৰতি থকা বিশ্বাসৰ ভেটিটোৰ ওপৰত ভিত্তি কৰি একোটা পৰিয়াল গঢ়ি তোলে। কিন্তু পত্নীৰ চৰিত্ৰৰ স্খলনৰ কথা জানিবলৈ পোৱা মুহূৰ্তটোৱে পুৰুষজনৰ মনৰ দাপোণখন চূৰ্ণ-বিচূৰ্ণ কৰি পেলায়। তেওঁৰ বাবে তেতিয়া নিজৰ ঘৰখন এক অচিনাকি ঠাই যেন অনুভৱ হয়। ঘৰৰ চাৰিবেৰৰ মাজত তেওঁ নিজক অত্যন্ত অকলশৰীয়া বুলি অনুভৱ কৰিবলৈ লয় আৰু প্ৰতিটো দিন একোটা দীঘলীয়া যন্ত্ৰণাৰ দস্তাবেজ হৈ পৰে। তেওঁৰ মগজুত প্ৰশ্নৰ উদয় হয়- কিয় এনে হ'ল? ক'ত ভুল আছিল তেওঁৰ? তেওঁৰ মৰম আৰু দায়বদ্ধতাত কিবা অভাৱ আছিল নেকি? এই প্ৰশ্নবোৰে তেওঁক সদায় নিৰুদ্দিষ্ট কৰি ৰাখে।*

# পুৰুষৰ নীৰৱ যন্ত্ৰণা

**প্ৰেম বৈষ্ণৱ**

জীৱনৰ অৰ্থ কেৱল উশাহ-নিশাহ লোৱাৰ নাম নহয়, প্ৰতিটো ক্ষণত নিজৰ অস্তিত্বক সন্মানিত কৰি ৰখাটোহে প্ৰকৃত জীৱনৰ পৰিচয়। সুস্থিৰ সংসাৰ এখন গঢ়াৰ সপোনক সাৰথি কৰি প্ৰতিজন মানুহ এক নতুন যাত্ৰাত সামিল হয়। ভাগ্যৰ পৰিহাসত সেই সপোনবোৰ দুঃস্বপ্নলৈ ৰূপান্তৰিত হোৱাৰ মুহূৰ্তত যি যন্ত্ৰণাৰ সৃষ্টি হয়, তাৰ পৰিমাণ জোখা অসম্ভৱ। বিশেষকৈ জীৱনসংগীৰ চৰিত্ৰৰ স্খলনৰ কথাটো পোহৰলৈ আহিলে এজন পুৰুষৰ সমগ্ৰ পৃথিৱীখন থৰক-বৰক হৈ পৰে। এই অৱস্থাটো কোনো সাধাৰণ মানসিক আঘাতৰ পৰিসীমাত আবদ্ধ নাথাকে; ই এক গভীৰ সত্তাগত সংকট, যিটোৱে তেওঁৰ অস্তিত্বৰ মূল ভেটিটোকেই কঁপাই তোলে।

পুৰুষ এজনৰ বাবে নিজৰ পত্নীৰ চৰিত্ৰ পবিত্ৰতাৰ প্ৰতীক। তেওঁলোকে সংসাৰৰ সকলো সুখ-দুখৰ অংশীদাৰ হোৱাৰ লগতে পৰস্পৰৰ প্ৰতি থকা বিশ্বাসৰ ভেটিটোৰ ওপৰত ভিত্তি কৰি একোটা পৰিয়াল গঢ়ি তোলে। কিন্তু পত্নীৰ চৰিত্ৰৰ স্খলনৰ কথা জানিবলৈ পোৱা মুহূৰ্তটোৱে পুৰুষজনৰ মনৰ দাপোণখন চূৰ্ণ-বিচূৰ্ণ কৰি পেলায়। তেওঁৰ বাবে তেতিয়া নিজৰ ঘৰখন এক অচিনাকি ঠাই যেন অনুভৱ হয়। ঘৰৰ চাৰিবেৰৰ মাজত তেওঁ নিজক অত্যন্ত অকলশৰীয়া বুলি অনুভৱ কৰিবলৈ লয় আৰু প্ৰতিটো দিন একোটা দীঘলীয়া যন্ত্ৰণাৰ দস্তাবেজ হৈ পৰে। তেওঁৰ মগজুত প্ৰশ্নৰ উদয় হয়- কিয় এনে হ'ল? ক'ত ভুল আছিল তেওঁৰ? তেওঁৰ মৰম আৰু দায়বদ্ধতাত কিবা অভাৱ আছিল নেকি? এই প্ৰশ্নবোৰে তেওঁক সদায় নিৰুদ্দিষ্ট কৰি ৰাখে।

পত্নীৰ প্ৰতি থকা পূৰ্বৰ সকলো মৰম আৰু শ্ৰদ্ধা লাহে লাহে ঘৃণা আৰু বিতৃষ্ণালৈ পৰিৱৰ্তিত হ'বলৈ ধৰে। তেওঁ পত্নীৰ মুখলৈ চাবলৈও সংকোচ বোধ কৰে, কাৰণ সেই মুখৰ পৰা নিসৃত প্ৰতিটো মিছা কথাই তেওঁৰ অন্তৰত বিষাক্ত বাণৰ দৰে খুন্দা মাৰে। তেওঁ এই বেদনাক সমাজৰ চকুত লুকুৱাই ৰাখিবলৈ এক অভিনয় কৰি জীয়াই থাকে। তেওঁৰ পত্নীয়ে বাহিৰত সুখী হোৱাৰ অভিনয় কৰে আৰু তেওঁ সেই অভিনয়ক সত্য বুলি গ্ৰহণ কৰাৰ ভাও দিয়ে। পত্নীৰ অশ্লীল বাৰ্তালাপ আৰু নিৰ্লজ্জ শৰীৰ প্ৰদৰ্শনৰ কথা জানিব পাৰিলেও তেওঁ প্ৰকাশ কৰিব নোৱাৰে। এই অভিনয় কৰাটো তেওঁৰ বাবে কোনো ৰুচি নহয়, এয়া হ'ল এক নিৰুপায় বাধ্যবাধকতা। তেওঁৰ বাবে সংসাৰৰ মৰ্যাদা আৰু ল'ৰা-ছোৱালীৰ ভৱিষ্যতৰ কথা চিন্তা কৰি তেওঁ নিজৰ চকুলোবোৰ সমাজৰ পৰা লুকুৱাই ৰাখে। এজন পুৰুষৰ যন্ত্ৰণা কেৱল তেওঁৰ নিজস্ব নহয়, এয়া সমাজৰ এক গূঢ় সমস্যা।



মানুহে ভাবিব পাৰে যে পুৰুষৰ কোনো আৱেগ নাথাকে। কিন্তু এইটো এক ডাঙৰ ভুল ধৰণা। পুৰুষৰ অন্তৰতো বিষাদৰ এক বিশাল সাগৰ থাকে, যিটো কেতিয়াবা উথলি উঠিবলৈ ভয় পায়। পত্নীৰ চৰিত্ৰৰ স্খলনৰ কথা জানিও নীৰৱে সহ্য কৰা পুৰুষজনৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰিবলৈ সমাজত কোনো ঠাই নাই। তেওঁৰ বাবে এই জীৱনটো এক অশেষ যন্ত্ৰণাৰ কাৰাগাৰ, য'ত তেওঁৰ কোনো মুক্তি নাই, কেৱল আছে অসীম বিষাদ আৰু একাকীত্ব। এই অৱস্থাটোত তেওঁৰ পুৰুষত্ব আৰু ব্যক্তিত্ব দুয়োটাই লাহে লাহে নিঃশেষ হৈ যায়। তেওঁ নিজকে এজন ব্যৰ্থ ব্যক্তি হিচাপে কল্পনা কৰিবলৈ লয়। ইমান দিনে তেওঁ যিমান কষ্ট কৰি সংসাৰখন চলাইছিল, তাৰ প্ৰতিফল এয়া নেকি? তেওঁৰ এই প্ৰশ্নবোৰৰ উত্তৰ দিবলৈ কোনো নাই।

প্ৰতিটো নিশাৰ বেছিভাগ সময় তেওঁ উজাগৰে কটায়, পত্নীৰ অবৈধ মৰমৰ প্ৰমাণ বিচাৰি। প্ৰতিটো নিশা তেওঁৰ বাবে একোটা প্ৰলয়ৰ দৰে আহে আৰু পুৱা তেওঁ পুনৰ এক নতুন অভিনয়ৰ স'তে সাজু হয়। এই অভিনয় তেওঁৰ বাবে কোনো আৱশ্যকীয় কাম নহয়, এয়া এক জীয়াই থকাৰ চৰ্ত। তেওঁ এই চৰ্ত মানি চলিবলৈ বাধ্য আৰু এই বাধ্যবাধকতা তেওঁৰ বাবে এক বন্দিত্ব। এই বন্দিত্বৰ পৰা ওলাই অহাৰ কোনো পথ তেওঁ দেখা নাপায়। সমাজৰ চকুত তেওঁ এগৰাকী সফল পুৰুষ, আদৰ্শ গৃহস্থ আৰু দায়িত্বশীল পিতৃ। কিন্তু সেই দেৱালৰ সিপাৰে তেওঁৰ অন্তৰত চলি থকা ভাঙোনৰ শব্দ কোনেও নুশুনে। প্ৰতিটো সন্ধিয়া কামৰ পৰা ঘৰলৈ উভতি অহাৰ পথত তেওঁ নিজৰ মুখমণ্ডলত এক কৃত্ৰিম প্ৰসন্নতাৰ মুখা পিন্ধি লয়। ঘৰৰ দুৱাৰডলিত ভৰি দিয়াৰ লগে লগে তেওঁৰ হৃদস্পন্দন বৃদ্ধি পায়, কাৰণ তেওঁ জানে যে ভিতৰত তেওঁৰ বাবে কোনো আৱেগিক আশ্ৰয় নাই, আছে কেৱল এক উদাসীনতাৰ শীতলতা।


পত্নীৰ এই দ্বৈত জীৱনৰ প্ৰতি তেওঁৰ ঘৃণা বাঢ়ি আহে যদিও তেওঁ সেই ঘৃণা প্ৰকাশ কৰিব নোৱাৰে। এই মৌনতা তেওঁৰ বাবে এক ধৰণৰ মানসিক অত্যাচাৰত পৰিণত হয়। তেওঁৰ পত্নীয়ে যি সময়ত আন কাৰোবাৰ স'তে ফোনৰ মাজেৰে প্ৰেমৰ অভিনয়ত ব্যস্ত থাকে, তেতিয়া পুৰুষজনে আন এটা কোঠাত বহি নিজৰ ভাগ্যক দোষ দিয়ে। তেওঁ অনুভৱ কৰে যে পত্নীৰ সেই প্ৰতিটো শব্দ যেন তেওঁৰ বিশ্বাসৰ বুকুত পৰা একোটা তীক্ষ্ণ যাঠি। তথাপি তেওঁ প্ৰতিবাদ কৰিবলৈ সাহস গোটাব নোৱাৰে, কাৰণ তেওঁ ভয় কৰে যে সত্যৰ উদ্‌ঘাটনে তেওঁৰ সন্তানে লাভ কৰিবলগীয়া পিতৃ-মাতৃৰ যুটীয়া মৰমৰ পৰিৱেশটো একেবাৰে শেষ কৰি পেলাব। সন্তানসকলৰ ভৱিষ্যতৰ কথা চিন্তা কৰি তেওঁ নিজৰ আত্মাৰ দহনক কেৱল এক ক্ষন্তেকীয়া মেঘৰ দৰে বুলি ধৰি ল'বলৈ চেষ্টা কৰে। পুৱা ল'ৰা-ছোৱালীৰ হাঁহা মুখবোৰ দেখি তেওঁ ক্ষন্তেকৰ বাবে নিজৰ বিষাদ পাহৰিবলৈ চেষ্টা কৰে। কিন্তু সেই হাঁহিৰ মাজতো তেওঁ বিচাৰি পায় এক গভীৰ কৰুণতা। তেওঁ ভাবে যে তেওঁৰ সন্তানসকলে আচলতে এক মিছা সুখৰ মাজত ডাঙৰ-দীঘল হৈ আছে। এই চিন্তা তেওঁৰ বাবে অধিক যন্ত্ৰণাদায়ক। তেওঁ অনুভৱ কৰে যে তেওঁ নিজৰ সন্তানৰ প্ৰতি এক ডাঙৰ প্ৰতাৰণা কৰি আছে, যিটো সত্য জানিও তেওঁ প্ৰকাশ কৰিবলৈ অস্বীকাৰ কৰিছে।

সামাজিক পৰিৱেশত তেওঁৰ এই স্থিতিয়ে তেওঁক অকলশৰীয়া কৰি তোলে। বন্ধু-বান্ধৱ বা আত্মীয়ৰ স'তে বহি থাকোতে তেওঁ একোখন ছবিৰ দৰে নিৰ্বিকাৰ হৈ ৰয়। তেওঁৰ মনৰ গভীৰতাত চলি থকা এই অমানিশা কোনেও দেখা নাপায়। তেওঁৰ জীৱনৰ অৰ্থবোৰ লাহে লাহে সংকুচিত হৈ আহিবলৈ ধৰে। তেওঁৰ বাবে আনন্দৰ সকলো উৎস অৰ্থহীন হৈ পৰে। কোনো উৎসৱ-পাৰ্বণ বা আনন্দৰ মুহূৰ্ত তেওঁৰ বাবে এক বিড়ম্বনা হৈ পৰে। তেওঁ নিজৰ অন্তৰৰ ভিতৰত এটা বিশাল নিৰ্জনতা লালন কৰিবলৈ বাধ্য হয়। এই পৰিস্থিতিটোৰ স'তে মোকাবিলা কৰিবলৈ তেওঁ বিভিন্ন ধৰণৰ কৌশল অৱলম্বন কৰে। কেতিয়াবা তেওঁ নিজক কামৰ মাজত ইমান ব্যস্ত কৰি ৰাখে যে পত্নীৰ কাৰ্যকলাপৰ বাবে ভবাৰ সময় তেওঁৰ হাতত নাথাকে। কেতিয়াবা তেওঁ নিচাযুক্ত পানীয়ৰ আশ্ৰয় লয়, যাতে নিশাৰ নিস্তব্ধতাক তেওঁৰ চেতনাৰ পৰা আঁতৰাই ৰাখিব পাৰে। এই অভ্যাসবোৰ তেওঁৰ বাবে কোনো বিলাসিতা, নিজক বৰ্তাই ৰখাৰ এক অশুভ প্ৰয়াস।

পত্নীৰ প্ৰতি থকা পূৰ্বৰ সেই গভীৰ আকৰ্ষণৰ অৱশেষবোৰ লাহে লাহে নিঃশেষ হৈ যায়। ইয়াৰ ঠাইত জন্ম লয় এক শীতল উদাসীনতা। তেওঁ পত্নীক এতিয়া এগৰাকী পৰিচিতা অচিনাকি নাৰী হিচাপে চাবলৈ আৰম্ভ কৰে। এই পৰিৱৰ্তন তেওঁৰ বাবে এক মানসিক বিজয়ৰ দৰে; কিন্তু ইয়াৰ মূল্য তেওঁ বহু পৰিমাণে দিবলগীয়া হয়। তেওঁৰ ভিতৰত থকা পুৰুষজন সম্পূৰ্ণৰূপে নিশকতীয়া হৈ পৰে। তেওঁৰ আত্মবিশ্বাস আৰু উদ্যমৰ ঠাই লয় এক গভীৰ হীনমন্যতাই। তেওঁ প্ৰায়েই নিজৰ অতীতৰ কথা ভাবে। সেই দিনবোৰৰ কথা, যিদিনা তেওঁলোকে সপোন দেখিছিল এক সুন্দৰ ভৱিষ্যতৰ। সেই সপোনবোৰ আজি এক অসাৰুৱা ধোঁৱা হৈ উৰি গৈছে। তেওঁৰ মনত প্ৰশ্ন জাগে- মানুহে কেনেকৈ ইমান নিষ্ঠুৰ হ'ব পাৰে? পত্নীৰ চৰিত্ৰৰ এই স্খলন কেৱল এক শাৰীৰিক প্ৰয়োজনৰ বাবে নেকি? তেওঁৰ মৰমৰ কোনো মূল্য নাছিল নেকি?

■ নৱম পৃষ্ঠাত

# নাট্য সংস্কৃতিৰ উজ্জ্বল সাধক গুৰুজী যোগেশ শৰ্মা



পংকজ বেজবৰুৱা

সৃষ্টিৰ মহান উদ্দেশ্য হৈছে সুন্দৰৰ প্ৰকাশ। গছ-লতা আদি যেনেকৈ সূৰ্যৰ পিনে ধাৱমান হয় ঠিক তেনেদৰে প্ৰাণৰ সুন্দৰে প্ৰকৃতিৰ লগত একাকাৰ হৈ যাব বিচৰাটোৱেই হৈছে সৃষ্টিৰ বিকাশৰ এক ধৰ্ম। যদি মানৰ মনত বিষাদৰ কালিমা পৰে তেনেহ'লে তাত থকা সুন্দৰৰ প্ৰকাশত বাধাপ্ৰাপ্ত হয় আৰু সৃষ্টিৰ স্থিতিৰ গতিত আউল লাগে। সেয়ে সৃষ্টিৰ গতি প্ৰবাহক স্বতঃস্ফূৰ্ততা দিয়াৰ বাবেই ব্ৰহ্মাই সৃষ্টি কৰিছিল পঞ্চম বেদ 'ভৰত নাট্যশাস্ত্ৰ'ৰ— এয়া আছিল গুৰুজী যোগেশ শৰ্মাৰ মুখেৰে নিগৰিত হোৱা নাট্য বিষয়ক গভীৰ তাত্ত্বিক কথা। বেদ হিন্দুৰ বৌদ্ধিক চিন্তাৰ শিৰোমণিস্বৰূপ। ঠিক তেনেদৰে পঞ্চমবেদ 'ভৰত নাট্যশাস্ত্ৰ'ও ভাৰতৰ অভিনয় কলাৰ মধ্যমণি আৰু ই আছিল গুৰুজীৰ আত্মাস্বৰূপ।

১৯২০-২২ খ্ৰীষ্টাব্দত যেতিয়া সমগ্ৰ কামৰূপৰ সমাজখনেই আছিল, শিক্ষা-দীক্ষাত পিছপৰা তেনেকুৱা এক সময়তে তেওঁক কি শক্তিয়ে মুকলি মঞ্চৰ মাজত ঘূৰাই লৈ ফুৰিছিল। লিখা-পঢ়া নজনা মানুহক নাট সম্বন্ধে জ্ঞান দি মঞ্চৰ বাবে সজাই-পৰাই তুলিবলৈ বাৰু কিহে প্ৰেৰণা যোগাইছিল! প্ৰকৃততে সেইটো আছিল ভৰত নাট্যশাস্ত্ৰৰ বিষয়ত থকা তেওঁৰ গভীৰ উপলব্ধি। উপলব্ধিৰ দ্বাৰা এটা তত্ত্বৰ উদ্দেশ্য, লক্ষ্য, পৰিসৰ, আকৃতি-প্ৰকৃতি আদিক লৈ ছবিখন মনৰ মাজত স্পষ্ট হৈ দেখা দিলেহে তাক লক্ষ্যৰ ফালে নিব পাৰি। প্ৰায় সকলোবোৰ মেলে-মিটিঙে তেওঁ উদাত্ত কণ্ঠৰে কৈছিল নাট্যশাস্ত্ৰৰ এই শ্লোকটি—

আংগিকং ভুৱনং যস্য বাসিকং সৰ্ব্ববাঙময়ম্
আহাৰ্য্যং চন্দ্ৰ তাৰাদি তৎনুমং সাত্ত্বিকং শিৱম্।

ইয়াৰ জৰিয়তে গুৰুজীয়ে উপলব্ধি কৰিছিল যে পৃথিৱীখনেই এখন বিশাল ৰংগমঞ্চ। সৃষ্টিয়ে হৈছে নাটকৰ আংগিক অভিনয়। বাঙ্ময় সকলোৱে বাসিক অৰ্থাৎ সংলাপ আৰু চন্দ্ৰ তাৰাদি আহাৰ্য অৰ্থাৎ মঞ্চসজ্জা। ইয়াৰ মাজেৰেই সৃষ্টিৰ সৌন্দৰ্য প্ৰকাশ পায়। এই উপলব্ধিৰ মাজত আছে সৃষ্টিৰ গতিধাৰাৰ বৈশিষ্ট্য। এয়াই আছিল অভিনয়ৰ তাত্ত্বিক দিশৰ বিষয়ে তেওঁৰ প্ৰগাঢ় উপলব্ধি। ইয়াৰ সহায়তেই তেওঁ যি চৰিত্ৰতে অভিনয় কৰিছিল তাকে এক জীৱন্ত ৰূপত উপস্থাপন কৰিব পাৰিছিল। এই উপলব্ধিয়ে তেওঁক দিছিল এক সুদূৰপ্ৰসাৰী দৃষ্টি আৰু এক উন্নত মূল্যবোধ। বাস্তৱিকতে অভিনেতাৰ স্বকীয় ব্যক্তিত্ব আৰু চৰিত্ৰৰ ব্যক্তিত্বৰ মাজৰ সীমাৰেখাডাল যেতিয়া নাইকিয়া হয় আৰু তেতিয়া তাকেই কোৱা হয় 'জীৱন্ত অভিনয়'। মানসপটত এই তাত্ত্বিক দিশৰ বিন্যাস ঘটাই কৰা অভিনয়ে কামৰূপত তোলপাৰ লগোৱা নাটকখনেই আছিল ৪০ৰ দশকৰ 'কালাপাহাৰ'। কালাপাহাৰ নাটকত কালাপাহাৰৰ ভাও, তাৰ পাছত 'হৰিশ্চন্দ্ৰ'ত বিশ্বামিত্ৰ, 'লীলাকংক'ত গৰ্গ শৰ্মা, 'অভিশাপ'ত দশৰথ, 'দাসীপুত্ৰ'ত চাণক্য আদি।

তেওঁ প্ৰায়ে এটা কথা কৈছিল— 'অভিনয়ক প্ৰাঞ্জল আৰু গতিশীল কৰিবলৈ হ'লে অভিনেতাই নিজৰ ব্যক্তিত্বক চৰিত্ৰৰ ব্যক্তিত্বৰ লগত বিলীন কৰি দিব পাৰিব লাগিব। কিন্তু এইটো বৰ সহজ সাধ্য কথা নহয়। ইয়াক ৰূপায়িত কৰিবলৈ হ'লে অভিনেতাই প্ৰথমতে চৰিত্ৰটোৰ সকলো দিশেই অধ্যয়ন কৰি তাক নিজৰ উপলব্ধিৰ মাজত একাকাৰ কৰি ল'ব পাৰিব লাগিব।' এই তাত্ত্বিক দিশটো গুৰুজীৰ মনত উন্মোচন কৰিছিল টিহুৰ বিদগ্ধ সংস্কৃত পণ্ডিত ষড়দৰ্শনতীৰ্থ জীৱেশ্বৰ গোস্বামীয়ে। গুৰুজীৰ ভিতৰত অভিনয় কলাৰ এক উজ্জ্বল সম্ভাৱনা বোধহয় প্ৰথমতে জীৱেশ্বৰ গোস্বামীদেৱেই দেখা পাইছিল। সেই কাৰণে জীৱনৰ অপৈণত বয়সতেই গুৰুজীক তেওঁ ভৰত নাট্যশাস্ত্ৰ অধ্যয়ন কৰাৰ উপদেশ দিছিল।

সাধনাৰ ভিত্তি হৈছে আধ্যাত্মিকতা— এই কথা তেওঁ আন্তৰিকতাৰে বিশ্বাস কৰিছিল। আধ্যাত্মিকতাই ব্যক্তিৰ ব্যক্তিত্ব আৰু মন সুশৃংখল কৰি গঢ়ি তোলে যাৰ ফলত তেওঁৰ মনক চিন্তা-চৰ্চা, কাম-কাজ আদি সকলো এক শৃংখলাবদ্ধতাৰ মাজলৈ আনে। তেনেকুৱা এক মানসিক পৰিৱেশৰ মাজতে ব্যক্তিয়ে পায় তত্ত্বজ্ঞান। সেই কাৰণেই তেওঁ উচ্চ আধ্যাত্মিক জীৱন-যাপন কৰিছিল আৰু আনকো সেইটো কৰাৰ উপদেশ দিছিল।

আনকি যাত্ৰাদলসমূহো আধ্যাত্মিক মূল্যবোধেৰে বলিয়ান হোৱাটো তেওঁ কামনা কৰিছিল। সেইটো আছিল ১৯৭২ খ্ৰীষ্টাব্দৰ কথা। তেতিয়া তেওঁ নটৰাজ থিয়েটাৰত আছে। গোলাঘাটৰ কমাৰবন্ধাৰ ওচৰত অভিনয় চলি আছিল। এদিন ৰাতি থিয়েটাৰৰ ডেকোল'ৰাকেইজনে ওচৰৰ স্কুল এখনত কুকুৰাৰ মাংসৰে খানা খাইছিল আৰু থিয়েটাৰৰ মানুহে খোৱা কাঁহী-বাটিবোৰো লৈ গৈছিল। নৈষ্ঠিক ব্ৰাহ্মণ গুৰুজীয়ে পাছদিনা কথাটো জানি সেই কাঁহীত ভাত নাখাই কলপাত কাটি আনি তাতে ভাত খালে। এই কথাটো কিন্তু নটৰাজৰ প্ৰযোজক অচ্যুত লহকৰে গম পালে। অনুসন্ধান কৰি তেখেতে সকলো কথা গম ল'লে আৰু তেতিয়াই গৈ গোলাঘাটৰ পৰা কাঁহৰ কাঁহী-বাটি এযোৰ আনি কঠোৰ নিৰ্দেশ দিছিল যে এই কাঁহী-বাটিত একমাত্ৰ গুৰুজীয়ে খাব। অভিনেতাৰ মূল্যবোধৰ স্খলনে তেখেতক বৰ বেজাৰ দিছিল।

আনহাতে গুৰুজীৰ জীৱন আৰু অভিনয়ৰ মাজত কোনো সীমাৰেখা নাছিল। ১৯৫৩ খ্ৰীষ্টাব্দমানৰ কথা। তেতিয়া মাখিবাহাৰ সভা চলি আছে। এদিন ৰাতি গুৰুজীয়ে ভাত-পানী খাই উঠি সভাৰ যাত্ৰাদল চাবলৈ গৈছিল। সেইদিনা মৰোৱাৰ যাত্ৰাদলৰ অভিনয় আছিল। সভাস্থলী মানুহেৰে গিজগিজাই আছিল। কিন্তু সেইদিনাখন যাত্ৰাদলৰ এগৰাকী অভিনেতাই অসুখৰ কাৰণে অভিনয় কৰিব নোৱাৰে আৰু সেই চৰিত্ৰটোত অভিনয় কৰিব পৰা অন্য মানুহ নাছিল। গতিকে প্ৰযোজক মহাসংকটত পৰিল। এনেতে সভাৰ খলাত গুৰুজী উপস্থিত হ'ল। গুৰুজীক দেখি প্ৰযোজকৰ মুখলৈ পানী আহিল যদিও কথাটো জনোৱা যায় কিদৰে! কাৰণ গুৰুজী আহিছিল যাত্ৰাদল চাবলৈহে। তথাপি সকলো কথা জানিব পাৰি গুৰুজী মান্তি হ'ল। খুব কম সময়ৰ ভিতৰতে চৰিত্ৰটোৰ সংলাপখিনি পঢ়ি তেওঁ যি দুৰ্দান্ত অভিনয় কৰিলে তাক চাই সেইটো যে এটা বিকল্প ব্যক্তিৰ (প্ৰ'ক্সি) অভিনয়হে তাক কোনেও ধৰিব নোৱাৰিলে। এনেকুৱা অলেখ ঘটনা-পৰিঘটনা আছে, যাৰ মাজেৰে চালে অভিনয় যে তেওঁৰ বাবে এক সৰল দৈনন্দিন কামহে হৈছিল তাক অনুমান কৰিব পাৰি। এইটো এই কাৰণেই সম্ভৱ হৈছিল যে গুৰুজীৰ অভিনয়েই আছিল জীৱন আৰু জীৱনেই আছিল অভিনয়।

আনুমানিক ১৯৪৯ খ্ৰীষ্টাব্দৰ কথা। টিহুৰ নাট্য সমিতিয়ে দুৰ্গা পূজাৰ সময়ত গুৱাহাটীৰ হৰিসভাত দুই পালাগান কৰাৰ চুক্তি কৰিছিল। কিন্তু পূজাৰ আগে আগে গুৰুজীৰ ডাঙৰ পুত্ৰৰ টাইফয়ড জ্বৰ হয়। সেই সময়ত টাইফয়ড জ্বৰৰ ঔষধ ওলোৱা নাছিল। গতিকে টাইফয়ড হ'লেই প্ৰায় ৰোগী মৃত্যুমুখত পৰিছিল। গুৰুজীয়ে পুত্ৰৰ শুশ্ৰূষাতে ব্যস্ত থাকিবলগীয়া হোৱাত তেওঁৰ মানসিক বা পাৰিবাৰিক পৰিস্থিতি আছিল অভিনয়ৰ প্ৰতিকূল। প্ৰথম অৱস্থাত অলপ থেৰো-গেঁৰো কৰিছিল যদিও নিজৰ দায়বদ্ধতাৰ ওচৰত নতি স্বীকাৰ কৰি গাঁৱৰ কেইগৰাকীমান ■ ১১ পৃষ্ঠাত

অষ্টম পৃষ্ঠাৰ পৰা ঃ —

## পুৰুষৰ নীৰৱ যন্ত্ৰণা

এই প্ৰশ্নবোৰৰ উত্তৰ বিচাৰি তেওঁ প্ৰতিটো দিন, প্ৰতিটো ৰাতি উজাগৰে পাৰ কৰে। তেওঁৰ কোনো উত্তৰ পোৱাৰ সম্ভাৱনা নাই, তথাপি তেওঁ নিজকে প্ৰশ্ন কৰি থাকে।

তেতিয়া তেওঁৰ জীৱনৰ চৰম পৰাজয় সম্পূৰ্ণ হয়। তেওঁ বুজি পায় যে তেওঁৰ জীৱনত কোনো আনন্দৰ আশা নাই। তেওঁৰ বাবে সংসাৰ এতিয়া এক পৰিত্যক্ত মন্দিৰৰ দৰে, য'ত কোনো দেৱতা নাই, আছে

কেৱল শূন্যতা। তেওঁ নিজৰ জীৱনৰ সকলো আশাৰ মৰ্যাদা হেৰুৱাই পেলাইছে। তেওঁ এজন পুৰুষ হিচাপে সমাজত বাস কৰাৰ অধিকাৰ হেৰুৱাই পেলাইছে বুলিও তেওঁ প্ৰায়ে অনুভৱ কৰে। এই অনুভৱ তেওঁৰ বাবে আটাইতকৈ ভয়ংকৰ। তেওঁ নিজৰ প্ৰতি থকা সকলো শ্ৰদ্ধা হেৰুৱাই পেলাইছে। তেওঁ এতিয়া এক জীয়াই থকা মৃতপ্ৰায় ব্যক্তি। অৱশেষত তেওঁ নিজৰ জীৱনৰ সকলো জটিলতাক স্বীকাৰ কৰি লয়। তেওঁ বুজি পায় যে মানুহৰ জীৱনত কোনো স্থায়ী সমাধান নাই। সকলো কিছুমান সময়ৰ খেল। তেওঁৰ পত্নীৰ চৰিত্ৰৰ স্খলন তেওঁৰ জীৱনৰ এক দুৰ্ভাগ্যজনক পৰিঘটনা মাত্ৰ। তেওঁ এই দুৰ্ভাগ্যক নিজৰ নিয়তি বুলি গ্ৰহণ কৰিবলৈ আৰম্ভ কৰে। এই গ্ৰহণ কৰাটো তেওঁৰ বাবে মুক্তিৰ পথ। তেওঁ এতিয়া নিজৰ পত্নীৰ প্ৰতি কোনো ঘৃণা বা মৰম অনুভৱ নকৰে। তেওঁ নিজৰ জীৱনত কেৱল নিজৰ কাম আৰু দায়িত্ব পালন কৰাৰ লক্ষ্য লয়। তেওঁৰ এই লক্ষ্য তেওঁক এতিয়া মানসিক শান্তি প্ৰদান কৰে।

তেওঁৰ জীৱনৰ অৱশিষ্ট খণ্ডবোৰ তেওঁ নিজৰ বাবে ব্যয় কৰে। তেওঁ এতিয়া নিজৰ স্বাস্থ্য আৰু মনৰ শান্তিৰ বাবে কাম কৰিবলৈ আৰম্ভ কৰে। পত্নীৰ অবৈধ কাৰ্যকলাপবোৰক তেওঁ এতিয়া এক সাধাৰণ কথা বুলি গণ্য কৰিবলৈ লয়। তেওঁৰ বাবে পত্নী এতিয়া এক অৰ্থহীন প্ৰাণী। তেওঁ নিজৰ জীৱনত এতিয়া নতুন আশাৰ পোহৰ বিচাৰি পাইছে। এই আশা তেওঁৰ বাবে কোনো আৱেগিক নহয়, এক যুক্তিসংগত আশাহে মাথোঁ। জীৱনৰ চৰম পৰাজয়ৰ পৰা তেওঁ এতিয়া নিজক উদ্ধাৰ কৰিছে। তেওঁৰ জীৱনৰ এই যাত্ৰা তেওঁৰ বাবে এক ডাঙৰ অভিজ্ঞতাত পৰিণত হৈছে। তেওঁ এতিয়া আন পুৰুষসকলক এই শিক্ষা দিবলৈ সাজু হৈছে যে আত্মসন্মানক কেতিয়াও জলাঞ্জলি দিব নালাগে। তেওঁৰ এই সাহসী সিদ্ধান্ত তেওঁৰ বাবে এক নৱজাগৰণৰ দৰে। তেওঁৰ বাবে এই জীৱন এতিয়া সঁচাকৈয়ে সুন্দৰ।

উপসংহাৰত ক'ব পাৰি যে প্ৰতিজন পুৰুষে নিজৰ জীৱনৰ সিদ্ধান্ত নিজে লোৱাটো উচিত। কাৰোবাৰ ওপৰত অতি নিৰ্ভৰশীলতা কেতিয়াও জীৱনৰ বাবে ভাল নহয়। আত্মসন্মান আৰু শান্তিৰ বাবে প্ৰয়োজন হ'লে সকলো ত্যাগ কৰিবলৈ সাজু থাকিব লাগে। তেতিয়াহে জীৱনৰ প্ৰকৃত সোৱাদ পাব পাৰি। যি পুৰুষে পত্নীৰ প্ৰতাৰণাক গ্ৰহণ কৰিও নিজৰ জীৱনক সুন্দৰ কৰি তুলিব পাৰে, তেওঁ আচলতে মহান। তেওঁৰ জীৱনৰ এই পৰাজয় আচলতে এক মহান বিজয়ৰ পথৰ আৰম্ভণি। তেওঁৰ এই বিজয় সকলো পুৰুষৰ বাবে প্ৰেৰণাদায়ক হৈ ৰ'ব। প্ৰতাৰণাৰ কণ্টকময় পথৰ পৰা আঁতৰি তেওঁ এতিয়া নিজৰ নিৰ্ভৰযোগ্য আৰু সঁচা স্বৰূপটো চিনাক্ত কৰিবলৈ সক্ষম হৈছে। তেওঁৰ এই পৰিৱৰ্তন কোনো সাময়িক আৱেগ নহয়, এয়া হ'ল এক ধ্ৰুৱ সত্যৰ উপলব্ধি। এই উপলব্ধিৰ পৰাই তেওঁৰ নতুন জীৱনৰ ভেটি স্থাপিত হৈছে। সংসাৰৰ এই আৱৰ্তত বহুতো পুৰুষে নিজৰ সত্তাক হেৰুৱাই পেলায়, কিন্তু তেওঁ নিজৰ সত্তাক পুনৰ আৱিষ্কাৰ কৰিবলৈ সক্ষম হয়। এয়াই আচল জীৱন, য'ত শত বাধাৰ মাজতো মানুহে নিজৰ স্বাভিমানক সাবটি ধৰি আগুৱাই যায়। ভৱিষ্যতৰ দিনবোৰ তেওঁৰ বাবে এক নতুন প্ৰত্যাহ্বান, য'ত তেওঁ নিজৰ অস্তিত্বক সন্মানিত আৰু সুৰক্ষিত কৰি ৰাখিবলৈ দৃঢ় প্ৰতিজ্ঞ। তেওঁ এতিয়া এক মুক্ত আত্মা, যি নিজৰ সকলো শিকলি ছিঙি অসীম আকাশত বিচৰণ কৰিবলৈ প্ৰস্তুত। এই জীৱন তেওঁৰ নিজৰ, এই সুখ তেওঁৰ নিজৰ আৰু এই বিজয় সম্পূৰ্ণৰূপে তেওঁৰ অধিকাৰ। তেওঁৰ এই কাহিনীটো প্ৰতিজন মানুহৰ বাবে এক দৰ্শন, যিয়ে শিকাই যে জীৱন যিমানেই কঠিন নহওক কিয়, নিজৰ সন্মানৰ বাবে যুঁজ দিয়াটো আটাইতকৈ গুৰুত্বপূৰ্ণ। তেওঁৰ এই যাত্ৰা অৱশেষত এক অসীম প্ৰশান্তিৰ মাজত সমাপ্তি ঘটিল, য'ত তেওঁৰ নিজৰ মনৰ শান্তিৰ বাহিৰে আন একোৱেই গুৰুত্ব নাথাকে। তেওঁ এতিয়া নিজৰ সুখৰ বাবে কাৰো ওপৰত নিৰ্ভৰ নকৰে, তেওঁ নিজেই নিজৰ সুখৰ উৎস। তেওঁৰ এই বিজয়ৰ বাৰ্তা বিশ্বৰ প্ৰতিজন সংগ্ৰামী মানুহৰ বাবে এক চিৰন্তন প্ৰেৰণা। এই সংগ্ৰাম কেৱল এজন পুৰুষৰ নহয়, এয়া হ'ল সত্যৰ প্ৰতি প্ৰত্যেকজন মানুহৰ যুঁজ। তেওঁ জয়ী হ'ল নিজৰ প্ৰতাৰিত সংসাৰৰ যন্ত্ৰণাৰ ওপৰত, জয়ী হ'ল নিজৰ অশুভ নিয়তিৰ ওপৰত আৰু জয়ী হ'ল নিজৰ জীৱনৰ অৱশেষত। তেওঁৰ এই বিজয় গীতি প্ৰতিটো প্ৰজন্মই শ্ৰদ্ধাৰে সুঁৱৰিব। তেওঁ এতিয়া এক সুখী জীৱনৰ নতুন ঠিকনাৰ পথযাত্ৰী। তেওঁৰ এই যাত্ৰা কেতিয়াও শেষ নহ'ব, এয়া এক চিৰন্তন যাত্ৰা, যিটো তেওঁ নিজৰ বাবে নিজে সৃষ্টি কৰি লৈছে। এই জীৱনত তেওঁৰ কোনো দুখ নাই, আছে কেৱল এক বিশাল তৃপ্তি আৰু শান্তি। এই শান্তি তেওঁৰ নিজৰ সৃষ্টি, এই শান্তি তেওঁৰ নিজৰ অধিকাৰ। এয়াই আচল বিজয়, এয়াই আচল শান্তি। ■

সপ্তম পৃষ্ঠাৰ পৰা ঃ —
# বন্দে মাতৰম্ গীতৰ ইতিহাস

বন্দে মাতৰম্ ধ্বনি এই আন্দোলনৰ গণকণ্ঠ হৈ পৰাত ইংৰাজসকল শংকিত হৈ দেশভক্তিৰ দীক্ষা প্ৰদানকাৰী এই বন্দে মাতৰম্ গীত আৰু বন্দে মাতৰম্ ধ্বনিৰ ওপৰত দেশত নিষেধাজ্ঞা লগায়। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ প্ৰতিষ্ঠাপক ডাঃ কেশৱ বলিৰাম হেডগেৱাৰ ডাঙৰীয়াৰ জীৱনৰ কৈশোৰ কালতো এই মহামন্ত্ৰ বন্দে মাতৰম্ নিষিদ্ধ কৰাৰ প্ৰভাৱ বাৰুকৈয়ে দেখা পোৱা যায়। ১৯০৮ চন তেতিয়া কেশৱৰ বয়স আছিল ১৯ বছৰ আৰু সেই সময়ত নাগপুৰৰ নীলচিতি হাইস্কুলত অধ্যয়ন কৰি আছিল। সেই সময়ত ইংৰাজ চৰকাৰৰ শিক্ষা বিভাগে এক নিয়মাৱলী প্ৰচাৰ কৰিছিল যে কোনো বিদ্যালয়ত বন্দে মাতৰম্ ক'ব বা উদঘোষ দিব নোৱাৰিব। এই প্ৰতিবন্ধক কেশৱৰ সহ্য হোৱা নাছিল। সেয়ে লগৰীয়াসকলৰ লগত মিলি ইয়াৰ বিৰোধ কৰাৰ সিদ্ধান্ত ল'লে। বিদ্যালয়ত অধ্যয়ন কৰা প্ৰায় ২০০০ ছাত্ৰক নেতৃত্ব দি কেশৱে এই বিষয়ে বুজাই দিলে। ভৱা মতেই কাম। কিছুদিন পাছত ইংৰাজ পৰিদৰ্শক বিদ্যালয় পৰিদৰ্শন কৰিবলৈ আহোতে এটাৰ পিছত এটাকৈ প্ৰত্যেক শ্ৰেণী কোঠাত বন্দে মাতৰম্ ধ্বনিৰে স্বাগত কৰা হয়। লগে লগে পৰিদৰ্শকজনে এনে কাৰ্যৰ বাবে প্ৰধান শিক্ষকক সতৰ্ক কৰি দোষীক বিচাৰি উলিয়াই শাস্তি নিদিয়াপৰ্যন্ত পাঠদান বন্ধ কৰি দিয়ে। পাছত সকলো ছাত্ৰই ক্ষমা খুজিলে যদিও স্বাভিমানী কেশৱে ক্ষমা নুখুজিলে। ফলত নীলচিতি হাইস্কুলৰ পৰা তেওঁক উলিয়াই দিয়া হয়। নাগপুৰৰ কোনো বিদ্যালয়ত নামভৰ্তিৰ সুবিধা নাপায় শেষত য়াবতমালত থকা বিদ্যাগৃহ নামৰ বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। এই আন্দোলন জনআন্দোলনলৈ পৰ্যবসিত হোৱাৰ লগে লগে বন্দে মাতৰম্ ধ্বনিও প্ৰতিজন ভাৰতীয়ৰ হৃদয়ৰ অমোঘ অস্ত্ৰ হিচাপে পৰিণত হোৱাত পৰৱৰ্তী সময়ত ইংৰাজ গৱৰ্নৰ জেনেৰেল লৰ্ড মিণ্টুৱে এই নিষিদ্ধ ভুল সিদ্ধান্ত আছিল বুলি উল্লেখ কৰিছিল আৰু এই আন্দোলনৰ ফলতেই বংগবাসীৰ ওচৰত সেও মানি ইংৰাজ চৰকাৰে বংগ ভংগৰ ষড়যন্ত্ৰমূলক প্ৰস্তাৱ উঠাই ল'বলৈ বাধ্য হয়।

১৯০৫ চনত বাৰানসীত হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিৱেশনত সভাপতি গোপাল কৃষ্ণ গোখলেৰ আহ্বানত সৰলা দেৱী নামৰ এগৰাকী গায়িকাই এই বন্দে মাতৰম্ গীতটো ইমান সুন্দৰকৈ পৰিৱেশন কৰিছিল যে সকলো শ্ৰোতা মন্ত্ৰমুগ্ধ তথা আৱেগিক হৈ পাৰিল। আৰু তেতিয়াৰ পৰাই আন্দোলনৰ সকলো কাৰ্যসূচীৰ লগতে সকলো সভা-সমিতিৰ কাৰ্যসূচী বন্দে মাতৰম্ গীত পৰিৱেশন কৰি আৰম্ভ কৰাটো এক প্ৰকাৰৰ নিয়ম হৈ পৰিল।

বন্দে মাতৰম্ গীতৰ বিৰুদ্ধে ষড়যন্ত্ৰ ঃ ১৯১৯ চনত মহাত্মা গান্ধী স্বাধীনতা আন্দোলনত জড়িত হোৱাৰে পৰা দেশৰ স্বাধীনতা আন্দোলনৰ গতিধাৰাৰো পৰিৱৰ্তন আৰম্ভ হ'ল। তেতিয়াৰ পৰা মুছলমানসকলৰ লগত একতা, আত্মীয়তা, সহযোগিতা স্থাপনৰ নতুন প্ৰয়াস আৰম্ভ হ'ল যদিও ইতিমধ্যে এক বিৰাট বিপৰীত শক্তিৰূপে গা কৰি উঠা মুছলীম লীগে নিজৰ চিন্তাধাৰাৰে ৰাজনৈতিক উদ্দেশ্য আৰু লক্ষ্য পূৰণৰ বাবে কাৰ্যপন্থা যুগুত কৰি কাৰ্যক্ষেত্ৰত আগবাঢ়িছিল। লাহে লাহে সভা-সমিতিসমূহত মুছলীম লীগে বন্দে মাতৰম্ গোৱাৰ ক্ষেত্ৰত প্ৰত্যক্ষ আপত্তি আৰু বিৰোধ কৰিবলৈ ধৰিলে। এই বন্দে মাতৰমত হিন্দুৰ দেৱ-দেৱীৰ নাম উল্লেখ আছে, যাক মুছলমানে প্ৰণাম নকৰে, বন্দনা নকৰে। সেয়ে বন্দে মাতৰমো নাগায়। বিৰোধ চলি থকাৰ সময়ত ১৯২৩ চনত কাকিনাড়াত হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিৱেশনত বন্দে মাতৰম্ গীত পৰিৱেশন কৰিবলৈ লোৱাৰ সময়ত অধিৱেশনৰ সভাপতি মৌলানা মহম্মদ আলীয়ে বাধা প্ৰদান কৰি কৈছিল ইছলাম মতে গান গোৱাটো ধৰ্মীয় নিষেধ, গতিকে আমি মুছলমান লোক উপস্থিত থকা সভাত গীত পৰিৱেশন কৰিবলৈ অনুমতি দিব নোৱাৰি। সভাত বহি থকা সকলো হতভম্ব হৈ পৰিছিল যদিও প্ৰত্যুত্তৰ দিবলৈ শব্দ বিচাৰি পোৱা নাছিল। উল্লেখ্য যে তেতিয়ালৈকে হোৱা জাতীয় কংগ্ৰেছৰ প্ৰতিখন অধিৱেশনত মহাৰাষ্ট্ৰৰ দেশপ্ৰেমী গায়ক বিষ্ণু দিগম্বৰ পালুস্কৰে এই বন্দে মাতৰম্ গীত আৰম্ভণিতে পৰিৱেশন কৰি আহিছিল। ১৯২৩ চনৰ এইখন অধিৱেশনতো বন্দে মাতৰম্ পৰিৱেশন কৰিবলৈ আৰম্ভ কৰোতেই সভাপতি মৌলানা মহম্মদ আলীয়ে বাধা প্ৰদান কৰি দিয়া যুক্তিৰ প্ৰত্যুত্তৰত গায়ক পালুস্কৰে নিজৰ স্থিতিত অটল হৈ থাকি ঘৃণামিশ্ৰিত ক্ৰোধেৰে অধিকাৰ সাব্যস্ত কৰিবলৈ কৈছিল— ভাৰতীয় জাতীয় কংগ্ৰেছ কোনো এটা নিৰ্দিষ্ট ধৰ্মীয় সম্প্ৰদায়ৰ স্থান বা মছজিদ নহয়, য'ত গীত গোৱাটো বন্ধ কৰিব পাৰিব বা নিষিদ্ধ কৰিব পাৰিব। গতিকে মোক বন্দে মাতৰম্ পৰিৱেশন কৰাত বাধা দিবলৈ আপোনাৰ অধিকাৰ নাই। আনহাতে, যদি গীত গোৱাটো আপোনাৰ সহ্য নহয় তেতিয়া হ'লে আপোনাক সভাপতি হিচাপে লৈ কৰা শোভাযাত্ৰাৰ সংগীত আপুনি কেনেকৈ সহ্য কৰিব পাৰিলে? ফলত মৌলানাই এই প্ৰত্যাহ্বানৰ কোনো উত্তৰ দিব নোৱাৰি মঞ্চ ত্যাগ কৰি নাতি দূৰৈত অৱস্থান কৰে আৰু গায়ক পালুস্কৰে সম্পূৰ্ণ বন্দে মাতৰম্ পূৰ্ণ উচাহেৰে পৰিৱেশন কৰিছিল। ভাৰতীয় জাতীয় কংগ্ৰেছে মুছলমানৰ সহযোগ লাভ কৰাৰ পথত বন্দে মাতৰম্ হেঙাৰ হৈ পৰাত কংগ্ৰেছ দুশ্চিন্তাত পৰিল। ইফালে মুছলমানসকলক সন্তুষ্ট কৰাৰ বাবে ১৯২২ চনত মহম্মদ ইকবালে 'ছাৰে জাহাঁছে আচ্ছা, হিন্দুস্তা হামাৰা...' শীৰ্ষক গীতটো ৰচনা কৰে।

সময়ৰ সুযোগ বুজি মুছলীম লীগেও ঘোষণা কৰিলে যে যিকোনো সভা, ৰাজহুৱা অনুষ্ঠানত বন্দে মাতৰম্ গীত গাব নোৱাৰিব, যদি গায় তেতিয়া মুছলমানসকলে সভাৰ পৰা পৃথক হৈ থাকিব। এই বিৰোধ লাহে লাহে ইমানেই বৃদ্ধি পালে যে বন্দে মাতৰম্ গীতৰ মৰ্যাদা অক্ষুণ্ণ ৰাখিবৰ বাবে ১৬/১০/১৯৩৭ তাৰিখে সুভাষ চন্দ্ৰ বসুৱে ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু ৰামানন্দ চট্টোপাধ্যায়লৈ পত্ৰ লিখিছিল যাতে কবিগুৰুজনাই বিষয়টো গভীৰভাৱে উপলব্ধি কৰি মহাত্মা গান্ধী আৰু জৱাহৰলাল নেহৰুলৈ পত্ৰ লিখে। সেই সময়ত ৰবীন্দ্ৰনাথ ঠাকুৰ বহুত অসুস্থ আছিল যদিও জৱাহৰলাল নেহৰুলৈ সজোৰে পত্ৰ লিখিছিল। ইয়াৰ ফলস্বৰূপে ভাৰতীয় জাতীয় কংগ্ৰেছৰ কাৰ্যকৰী সমিতিয়ে ২৮/১০/১৯৩৭ তাৰিখে সিদ্ধান্ত কৰিলে যে এতিয়াৰে পৰা সকলো সভা-সমিতি, ৰাজহুৱা অনুষ্ঠান আদিত বন্দে মাতৰমৰ প্ৰথম দুটা কলিহে পৰিৱেশন কৰা হ'ব। লগতে ইয়াৰো সিদ্ধান্ত লোৱা হ'ল যে সৰ্বজন গ্ৰহণযোগ্য অন্য এটা গীত নিৰ্বাচন কাপ ক্ষেত্ৰত কংগ্ৰেছ কাৰ্যকৰী সমিতিৰ পূৰ্ণ স্বাধীনতা থাকিব। সেই অনুসৰি জাতীয় সংগীত ৰচনাৰ বাবে এখন উপ-সমিতি গঠন কৰা হয়। সেই উপ-সমিতিৰ হৈ জৱাহৰলাল নেহৰুৱে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰক এটা ৰাষ্ট্ৰীয় সংগীত ৰচনাৰ বাবে দায়িত্ব দিছিল যদিও কিছুদিনৰ পাছত কবিগুৰুজনাৰ দেহাৱসান হোৱাৰ বাবে নেহৰুৰ ইচ্ছা পূৰণ নহ'ল। বংকিমচন্দ্ৰ চট্টোপাধ্যায়ে সৃষ্টি কৰা জাতীয় সনাতন সংস্কৃতিৰ অবিচ্ছেদ্য অংগ, জাতীয় বীৰ-বীৰাংগনাৰ প্ৰাণস্পন্দন এই অমৰ সংগীত বন্দে মাতৰমৰ ভাবাৰ্থ সেই সময়ৰ কংগ্ৰেছ নেতৃত্বই অনুধাৱন কৰিব নোৱাৰি অংগচ্ছেদ কৰিবলৈ আৰু নতুন গীত ৰচনা কৰিবলৈ সিদ্ধান্ত লৈছিল। সেয়া ভাৰতৰ ইতিহাসৰ বাবে চূড়ান্ত দুৰ্ভাগ্যজনক ঘটনা। এই সিদ্ধান্তই মুছলীম লীগক বিন্দুমাত্ৰও সন্তুষ্ট কৰিব পৰা নাছিল। লীগৰ নেতা মহম্মদ আলী জিন্নাই পুনৰ দাবী উত্থাপন কৰি জনালে যে বন্দে মাতৰম্ গীতৰ প্ৰথম দফাটোৱেই তেওঁলোকে বৰ্জন কৰিছে।

এই বন্দে মাতৰম্ গীতৰ জৰিয়তে দেশমাতৃৰ প্ৰাণময় প্ৰতিমা সমুজ্জ্বল হৈ উঠিছে, যি কেৱল অতীত আৰু বৰ্তমানৰ প্ৰতিমা নহয়, এয়া ভৱিষ্যতৰ অতুলনীয় ঐশ্বৰ্যময়ী আৰু সৰ্বকল্যাণকামী ৰূপৰ জীৱন্ত ৰূপ। এই গূঢ়াৰ্থৰ সৈতে ৰাৱণ বধৰ পাছত প্ৰভু শ্ৰীৰামচন্দ্ৰই ভাতৃ লক্ষ্মণক কোৱা সেই অমোঘমন্ত্ৰৰ ব্যাপক সাদৃশ্য আছে। শ্ৰীৰামচন্দ্ৰই কৈছিল—

অপি স্বৰ্ণময়ী লংকা ন মে লক্ষ্মণ ৰোচতে।
জননী জন্মভুমিশ্চ স্বৰ্গাদপি গৰীয়সী।।

এয়া সত্য যে ভাৰতৰ কিছুসংখ্যক অশুভ শক্তিয়ে এই বন্দে মাতৰম্ গীতৰ অপব্যাখ্যা কৰিছিল আৰু ইয়াক উগ্ৰ হিন্দু জাতীয়বাদৰ গীত বুলি অভিহিত কৰিছিল। যিসকলে এনে কৰিছিল সেইসকল আন উদ্দেশ্যৰ দ্বাৰা পৰিচালিত হৈ আছিল।

২১ শতিকাত জীয়াই থকা প্ৰতিজন ভাৰতীয়ই বন্দে মাতৰম্ গীতৰ প্ৰতিটো শব্দৰ গূঢ়াৰ্থ অনুধাৱন কৰিব পাৰিব লাগিব। ই আমাৰ পৰম দায়িত্ব আৰু কৰ্তব্য। এই গীতৰ তত্ত্ব উপলব্ধি প্ৰতিজন ভাৰতীয়ৰ জীৱনৰ ব্ৰত হ'ব লাগিব। ইয়াত কোনো সংকীৰ্ণ চিন্তাৰ স্থান নাই। এই বন্দে মাতৰম্ গীতে প্ৰতিজন দেশবাসীক স্বদেশ প্ৰেম, দেশাত্মবোধ, জাতীয়তাবাদৰ অভিজ্ঞতা প্ৰদান কৰে। যাৰ উপলব্ধিয়ে নিজকে দেশমাতৃৰ কাৰণে উৎসৰ্গা কৰাৰ দুৰ্বাৰ শক্তি লাভ কৰে। এই শক্তিৰ ওচৰত কোনো অশুভ শক্তি জয় হ'ব নোৱাৰে। আহক আমি সকলোৱে বন্দে মাতৰম্ গীতক শিৰত লৈ প্ৰকৃত ভাৰতীয়ৰ পৰিচয়েৰে দেশমাতৃৰ সেৱাত নিজকে উৎসৰ্গা কৰোঁ, লগতে গৌৰৱেৰে বিশ্বত চিনাকি দিওঁ আৰু সনাতনী সভ্যতাৰ জয়গান গাওঁ।

।। বন্দে মাতৰম্।। ■

চতুৰ্থ পৃষ্ঠাৰ পৰা ঃ —
# লাইক নহয়

সন্মুখীন-দুৰ্নীতি, অসহিষ্ণুতা, অপপ্ৰচাৰ, সামাজিক বিভাজন, নৈতিক অৱক্ষয় আৰু ব্যক্তিকেন্দ্ৰিক মানসিকতা। এইবোৰৰ সমাধান কেৱল নতুন আইন বা প্ৰযুক্তিৰে সম্ভৱ নহয়। সমাধান সম্ভৱ মানৱীয় মূল্যবোধ, সততা, নিষ্ঠা, যুক্তিবাদী চিন্তা আৰু সামাজিক দায়িত্ববোধ পুনৰ প্ৰতিষ্ঠাৰ মাজেৰে।

এজন শিক্ষকে যদি নিষ্ঠাৰে শিক্ষাদান কৰে, এজন সাংবাদিকে যদি সত্যৰ পক্ষত থিয় দিয়ে, এজন ৰাজনীতিবিদে যদি জনস্বাৰ্থক ব্যক্তিগত স্বাৰ্থতকৈ ওপৰত স্থান দিয়ে, এজন শিল্পীয়ে যদি সমাজৰ বিবেক জগাই তোলে আৰু এজন নাগৰিকে যদি সত্যতা পৰীক্ষা নকৰাকৈ কোনো তথ্য প্ৰচাৰ নকৰে, তেন্তে সেই সমাজ কেতিয়াও উঁয়ে খোৱা হাওদালৈ পৰিণত নহ'ব।

সামাজিক মাধ্যম ব্যৱহাৰ কৰাটো দোষৰ বিষয় নহয়; কিন্তু সামাজিক মাধ্যম যদি অধ্যয়নৰ বিকল্প হয়, যদি গৱেষণাৰ সলনি গুজৱ আৰু যুক্তিৰ সলনি উত্তেজনা সৃষ্টি কৰে, তেন্তে ই সমাজৰ বাবে অকল্যাণকৰ। গতিকে প্ৰযুক্তিক জ্ঞানৰ সহায়ক হিচাপে ব্যৱহাৰ কৰিব লাগিব, বিকল্প হিচাপে নহয়।

**উপসংহাৰ ঃ** অসমৰ মনীষীসকলৰ আটাইতকৈ ডাঙৰ অৱদান হৈছে তেওঁলোকে অসমক চিন্তা কৰাৰ সংস্কৃতি দিছে। এই সংস্কৃতিৰ মূল ভিত্তি হৈছে সততা, নিষ্ঠা, মানৱীয়তা, আত্মসমালোচনা, যুক্তিবাদ, গৱেষণা আৰু সমাজৰ প্ৰতি দায়বদ্ধতা। মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' আজিও আমাক সোঁৱৰাই দিয়ে সমাজৰ ভিতৰুৱা নৈতিক ক্ষয় যদি সময়মতে ৰোধ কৰিব নোৱাৰি, তেন্তে বাহ্যিক উন্নয়ন অৰ্থহীন হৈ পৰে।

সেয়েহে আজিৰ সময়ৰ আহ্বান স্পষ্ট লাইকতকৈ লাইব্ৰেৰী, প্ৰতিক্ৰিয়াতকৈ অধ্যয়ন, অপপ্ৰচাৰতকৈ সত্য আৰু আত্মপ্ৰচাৰতকৈ সমাজসেৱাক অধিক মূল্য দিব লাগিব। এই পথেই আমি অসমৰ মহান মনীষীসকলৰ উত্তৰাধিকাৰক সাৰ্থক কৰিব পাৰিম আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক জ্ঞানসমৃদ্ধ, নৈতিক আৰু মানৱীয় সমাজ গঢ়ি তুলিব পাৰিম। এয়েই হ'ব তেওঁলোকৰ প্ৰতি আমাৰ প্ৰকৃত শ্ৰদ্ধাঞ্জলি। ■

**প্ৰথম পৃষ্ঠাৰ পৰা ঃ —**

# বানত সৰ্বহাৰা হ'ল উজনিৰ

প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বড়াই এই তথ্য সদৰী কৰে। মন্ত্ৰী বড়াই সদৰী কৰা মতে এতিয়ালৈকে জিলাখনত ২৮ হেজাৰ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হোৱাৰ লগতে প্ৰায় ৬৪ হেজাৰ গৰু, ছাগলী, গাহৰি আৰু প্ৰায় ৭৫ হেজাৰ হাঁহ-কুকুৰা ক্ষতিগ্ৰস্ত হৈছে। এতিয়ালৈকে জিলা প্ৰশাসনে এছ ডি আৰ এফ, এন ডি আৰ এফ, স্থলসেনা, বায়ুসেনাৰ সহযোগত ১২১ খন নাঁৱৰ সহায়ত ২০ হেজাৰ ৫২০ গৰাকী লোকক উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা বুলি মন্ত্ৰী বড়াই সংবাদমেলখনত প্ৰকাশ কৰে। এতিয়ালৈকে চৰকাৰৰ তৰফৰ পৰা বানাক্ৰান্ত সকলক ২.৮৮ লাখ খাদ্যৰ পেকেট জৰুৰীকালীনভাৱে আগবঢ়োৱা হৈছে, ৬ লাখ ৭০ হেজাৰ লিটাৰ খোৱাপানী আৰু আশ্ৰয়ৰ বাবে ৩০ হেজাৰ পৰিয়ালক টাৰ্পোলিন প্ৰদান কৰা হৈছে। মন্ত্ৰী বড়াই জনোৱা মতে বানপীড়িতৰ মাজত যোৱা সোমবাৰ লৈকে ৯,৩০০ কুইণ্টল চাউল, ১,৬৮৯ কুইণ্টল দাইল, ৪৩৩ কুইণ্টল নিমখ, ৩৫ হেজাৰ ৪৫২ লিটাৰ মিঠা তেলৰ লগতে চিৰা, শিশুখাদ্য, চেনিটেৰী নেপকিন, মহ খেদোৱা ধূপ, মম, দিয়া চলাই, ব্লিচিং পাউডাৰ, ফিনাইল আদি বিতৰণ কৰা হৈছে। ইয়াৰ উপৰি দৈনিক ৮ হেজাৰ লোকক ৰন্ধাখাদ্যও চৰকাৰৰ তৰফৰ পৰা বিতৰণ কৰি থকা হৈছে। ১০০টা চিকিৎসকৰ দলে বিভিন্ন স্থানত চিকিৎসা সেৱা আগবঢ়াই আছে। এই বিধ্বংসী বানত ৩৫০ খন বিদ্যালয়, ১০১ টা বিদ্যুতৰ খুঁটা, ৪৬২ টা জল জীৱন মিছনৰ আঁচনি, চাৰিটা শিশু উন্নয়ন প্ৰকল্পৰ ৩৬ টা অংগনবাড়ী কেন্দ্ৰ আৰু এটা সমূহীয়া ভৱন ক্ষতিগ্ৰস্ত হোৱাৰ লগতে ২১৫ টা পথৰ ১৫৮ কিলোমিটাৰ পথ আৰু ১৯ টা স্থানত প্ৰায় ১২ কিলোমিটাৰ মঠাউৰি ভগা বুলিও মন্ত্ৰী বিমল বড়াই সংবাদমেলখনত প্ৰকাশ কৰে।

**নৱম পৃষ্ঠাৰ পৰা ঃ —**

# নাট্যসংস্কৃতিৰ উজ্জ্বল

মানুহৰ ওপৰত পুতেকৰ শুশ্ৰূষাৰ দায়িত্ব দি অভিনয় কৰিবলৈ গুৱাহাটীলৈ ঢাপলি মেলিছিল। হৰিসভাৰ মঞ্চত তেওঁ 'ৰজা হৰিশ্চন্দ্ৰ' নাটৰ বিশ্বামিত্ৰৰ চৰিত্ৰত অতি উচ্চস্তৰৰ মৰ্মস্পৰ্শী অভিনয় কৰিছিল। হৰিশ্চন্দ্ৰই যেতিয়া বিশ্বামিত্ৰক সকলো দান দি ৰাজ্য এৰি শুদা গাৰে ওলাই গৈছিল তেতিয়া কোনোবা এজন দৰ্শকে নিজৰ জোতাযোৰ গুৰুজীৰ গালৈ মাৰি দিছিল। গভীৰ মনোবেদনাৰ মাজতো তেওঁ এনেকুৱা প্ৰাণস্পৰ্শী অভিনয় কৰিছিল যাৰ দ্বাৰা দৰ্শক বাস্তৱ পৃথিৱীৰ পৰা অভিনয়ৰ পৃথিৱীখনলৈ যাবলৈ বাধ্য হৈছিল।

গুৰুজী অকল যে অভিনয়ক লৈয়েই ব্যস্ত আছিল এনে নহয়, আন সামাজিক কামতো তেওঁ নিষ্ঠাৰে আত্মনিয়োগ কৰিছিল। ভাৰতৰ স্বাধীনতা সংগ্ৰামতো তেওঁ সক্ৰিয়তাৰে যোগ দিছিল। যিদিনা মদন-ৰাউতাক নিত্যানন্দৰ ওচৰত ব্ৰিটিছ পুলিচে গুলীয়াই মাৰিছিল, সেই সভাত গুৰুজীও উপস্থিত আছিল। তদুপৰি বিদেশী বস্তু বৰ্জন আন্দোলনত তেওঁ সক্ৰিয় ভূমিকা লৈছিল। সেই কাৰণেই তেওঁ চৰকাৰৰ নজৰত পৰিছিল আৰু তেওঁৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পাৰোৱানা বাহিৰ হৈছিল। এবাৰ সৰ্থেবাৰী সভাত গান কৰিবলৈ যাওঁতে পুলিচ আহিল। পিছে ৰাইজৰ প্ৰবল বাধাৰ কাৰণে তেওঁক প্ৰেপ্তাৰ কৰিব নোৱাৰিলে। ইয়াৰ পাছতো পুলিচে তেওঁক বিচাৰি ফুৰিছিল। কিন্তু আগতে তেওঁ যোগেশ্বৰ দেৱশৰ্মা লিখিছিল, পাছত গানৰ কাৰ্যসূচীবোৰত তেওঁৰ নাম যোগেশ শৰ্মা বুলি লিখা হ'ল। গতিকে যোগেশ্বৰ দেৱশৰ্মা আৰু যোগেশ শৰ্মা দুজন ব্যক্তি বুলি এক যুক্তিৰ অৱতাৰণা কৰা হ'ল। কিন্তু গান্ধী-ডাৰউইন চুক্তিৰ পাচৰ পৰা আৰু তেওঁক পুলিচে নিবিচৰা হ'ল।

আগতে টিহুৰ পৰা জলখানা-ভঠুৰাখানা-কাউৰেহাগী হৈ আগলৈকে যাবলৈ কোনো আলিবাটৰ ব্যৱস্থা নাছিল। মানুহে নল-খাগৰিৰ মাজেৰে অহা-যোৱা কৰিছিল। আনুমানিক ১৯৪৭-৪৮ কি তাৰ আগতে টিহু নৈৰ পাৰে পাৰে এটা মথাউৰি সজা হৈছিল। সেই কামৰ কাৰণে বোধহয় মানুহৰ পৰা বৰঙণি সংগ্ৰহ কৰা হৈছিল। মথাউৰি সাজিবৰ কাৰণে 'টিহু-জলখানা-ভঠুৰাখানা মথাউৰি বন্ধা কমিটী' নামৰ এখন সমিতি গঠন কৰা হৈছিল। সেই কমিটীৰ ছেক্ৰেটাৰী আছিল গুৰুজী।

অশেষ কষ্ট কৰি গুৰুজীয়ে ৰাইজক সংঘবদ্ধ কৰি আৰু এজন উজনি অসমৰ অ'ভাৰচিয়াৰৰ কাৰিকৰী সহযোগত টিহুৰ পৰা ঘোপালৈকে এটা মথাউৰি সাজি উলিয়াই সৰ্বসাধাৰণ লোকৰ যাতায়াতৰ ব্যৱস্থা কৰি দিছিল। ইয়াৰ উপৰি ৬০ৰ দশকত তেওঁ এবাৰ টিহু-বৰমা আঞ্চলিক পঞ্চায়তৰ সদস্য নিৰ্বাচিত হৈছিল আৰু একেৰাহে তিনি বছৰ সৰ্বসাধাৰণলৈ সেৱা আগবঢ়াইছিল।

গতিকে গুৰুজীৰ বৰ্ণাঢ্য জীৱনৰ বিভিন্ন দিশবোৰ চালে ইয়াক এক সাত ৰৱণীয়া ৰামধেনু যেন লাগে। আনহাতে ইয়াক পৰ্যালোচনাৰ দৃষ্টিভংগীৰে চালে পাওঁ যে অভিনয় আৰু জীৱনক একাকাৰ, একীভূত কৰি তাৰ মাজতে তেওঁ যেনিবা গোটেই জীৱনটোৱেই বিচাৰি ফুৰিছিল সত্য শিৱ সুন্দৰক। সুন্দৰৰ একনিষ্ঠ পূজাৰী গুৰুজী যোগেশ শৰ্মা সেয়ে আজিও অভিনয় জগতৰ উজ্জ্বল নক্ষত্ৰ হিচাপে জিলিকি আছে। নাট্য সংস্কৃতিৰ এইজনা অবিশ্ৰান্ত সাধকৰ জন্ম হৈছিল নলবাৰী জিলাৰ টিহু মৌজাৰ নাম্নাটাৰী গাঁৱত ১৯১০ খ্ৰীষ্টাব্দৰ ১৯ এপ্ৰিলত। সাদৰী মাক সত্যপ্ৰিয়া দেৱী আৰু পিতাক জয়নাথ শৰ্মাৰ মৰমৰ এই সন্তানগৰাকীয়ে ১৯৯৭ খ্ৰীষ্টাব্দৰ ২৮ এপ্ৰিলত ৮৭ বছৰত জীৱননাট সামৰি বলিষ্ঠ অভিনয়ৰ নাট্যমঞ্চ উকা কৰি বৈকুণ্ঠলৈ গমন কৰে।

# গুৱাহাটীৰ নাৰায়ণা হাস্পতালৰ উদ্যোগত যোৰহাট-শিৱসাগৰত বান সাহায্য বিতৰণ

**অসম ভূমি সেৱা, উত্তৰ গুৱাহাটী ঃ** যোৱা দেওবাৰে গুৱাহাটীৰ নাৰায়ণা ছুপাৰ স্পেচিয়েলিটি হাস্পতালৰ উদ্যোগত যোৰহাট আৰু শিৱসাগৰৰ বানাক্ৰান্ত অঞ্চলত এক বৃহৎ বিনামূলীয়া চিকিৎসা শিবিৰৰ আয়োজন কৰা হয়। চিকিৎসা সেৱাৰ উপৰি হাস্পতালখনৰ দলটোৱে যোৰহাটৰ বানপীড়িত ৰাইজৰ মাজত জৰুৰী খাদ্য-সামগ্ৰী আৰু শিশুখাদ্য বিতৰণ কৰে। এই বিশেষ মানৱীয় কাৰ্যসূচীত যোৰহাটৰ স্থানীয় ৰাইজে সম্পূৰ্ণ সহযোগিতা আগবঢ়ায়, নাৰায়ণা হাস্পতাল কৰ্তৃপক্ষই যোৰহাটবাসীৰ প্ৰতি গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিছে। একেটা দিনতে নাৰায়ণা হাস্পতালৰ দুটাকৈ অভিজ্ঞ চিকিৎসা দল যোৰহাট আৰু শিৱসাগৰৰ বানপীড়িত অঞ্চললৈ ৰাওনা হয়। শিৱসাগৰত অনুষ্ঠিত চিকিৎসা শিবিৰত পুৱাৰে পৰা নাৰায়ণা হাস্পতালৰ বিশিষ্ট নিউৰ'লজিষ্ট ডাঃ পূৰ্ণব্ৰতৰ নেতৃত্বত চিকিৎসকৰ দলে ৰাইজক চিকিৎসা সেৱা আগবঢ়ায়। শিৱসাগৰৰ এই চিকিৎসালয় শিবিৰৰ পৰা ৩০০ তকৈও অধিক বানপীড়িত লোকে বিনামূলীয়া চিকিৎসা আৰু পৰামৰ্শ লাভ কৰে। বানৰ পাছত সৃষ্টি হ'ব পৰা বিভিন্ন সংক্ৰামক ৰোগৰ প্ৰতি লক্ষ্য ৰাখি



হাস্পতালখনৰ তৰফৰ পৰা প্ৰয়োজনীয় ঔষধো বিনামূলীয়াকৈ যোগান ধৰা হয়। দুয়োটা অঞ্চলৰ স্বাস্থ্য শিবিৰত বিশেষকৈ শিশু, মহিলা আৰু জ্যেষ্ঠ নাগৰিকসকলৰ স্বাস্থ্য পৰীক্ষাত অধিক গুৰুত্ব প্ৰদান কৰা হয়। নাৰায়ণা ছুপাৰ স্পেচিয়েলিটি হাস্পতালৰ এই প্ৰচেষ্টাক স্থানীয় ৰাইজে অতিশয় প্ৰশংসা কৰিছে। সংকটৰ এই কঠিন সময়ত অসমৰ বানপীড়িত ৰাইজৰ কাষত সদায় থিয় দিয়াৰ প্ৰতিশ্ৰুতি দোহাৰে নাৰায়ণা হাস্পতাল কৰ্তৃপক্ষই।

# পিয়াৰলেছ হাস্পতাল গুৱাহাটীৰ প্ৰথম প্ৰতিষ্ঠা দিৱস পালন

**গুৱাহাটী ঃ** উন্নত চিকিৎসা সেৱা আৰু ৰোগীৰ নিৰাপত্তাৰ প্ৰতি থকা প্ৰতিশ্ৰুতি অধিক দৃঢ় কৰি প্ৰথম প্ৰতিষ্ঠা দিৱস পালন কৰিলে পিয়াৰলেছ হাস্পতাল গুৱাহাটীয়ে। ২০২৫ চনৰ ২১ জুলাইত উদ্বোধন হোৱাৰ পিছত এটা বছৰ পূৰ্তি উপলক্ষে হাস্পতালখনে একাধিক আভ্যন্তৰীণ উদ্‌যাপন, কৰ্মীসকলৰ অংশগ্ৰহণমূলক কাৰ্যসূচী আৰু সমাজমুখী নানা উদ্যোগৰ আয়োজন কৰে। মানৱীয় চিকিৎসা সেৱা, চিকিৎসাৰ উৎকৰ্ষ আৰু ৰোগীকেন্দ্ৰিক সেৱাৰ প্ৰতি প্ৰতিষ্ঠানটোৰ থকা প্ৰতিশ্ৰুতিও এই আয়োজনৰ জৰিয়তে প্ৰতিফলিত হয়। উল্লেখ্য যে প্ৰতিষ্ঠা দিৱসৰ এই আয়োজনে চিকিৎসক, নাৰ্ছ, প্ৰশাসনিক কৰ্মী আৰু সহায়ক কৰ্মীসকলক একত্ৰিত কৰি পাৰস্পৰিক সহযোগিতা, ঐক্য আৰু দলগত কাৰ্যৰ এক প্ৰাণৱন্ত পৰিৱেশ গঢ়ি তোলে। কৰ্মীসকলৰ মাজত দলগত মনোভাৱ অধিক শক্তিশালী কৰিবলৈ ক্ৰিকেট আৰু আৰ্ম ৰেছলিং আদিকে ধৰি একাধিক ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন কৰে হাস্পতালখনে। ৰোগীৰ নিৰাপত্তাক কেন্দ্ৰ কৰি অনুষ্ঠিত চিত্ৰাংকণ প্ৰতিযোগিতায়ো নিৰাপদ, মানসম্পন্ন আৰু দায়িত্বশীল চিকিৎসা সেৱা প্ৰদানৰ প্ৰতি হাস্পতালখনৰ অব্যাহত প্ৰতিশ্ৰুতিক আগুৱাই আনে। প্ৰতিষ্ঠা দিৱস উপলক্ষে স্থানীয় ৰাইজৰ বাবে কেইবাটাও বিশেষ চিকিৎসা সেৱা সুবিধাৰ ঘোষণাও কৰে পিয়াৰলেছ হাস্পতাল গুৱাহাটীয়ে। উন্নত চিকিৎসা সেৱা অধিক লোকৰ বাবে সহজলভ্য কৰি তোলাৰ প্ৰতিশ্ৰুতি পুনৰ ব্যক্ত কৰিয়েই এই উদ্যোগ গ্ৰহণ কৰে হাস্পতালখনে। ঘোষিত সুবিধাসমূহৰ ভিতৰত আছে জেনেৰেল মেডিচিন, অৰ্থ'পেডিক্স, জেনেৰেল ছাৰ্জাৰী আৰু নিউৰ'কেয়াৰ বিভাগত মাত্ৰ ১০০ টকাৰে ছুপাৰ-স্পেচিয়েলিটি পৰামৰ্শ, সকলো ধৰণৰ স্বাস্থ্য পৰীক্ষা পেকেজত ১৫ শতাংশ ৰেহাই, বিলৰ পৰিমাণ অনুসৰি ইচিজি, ৰেডিঅ'লজি আৰু হাস্পতালখনৰ নিজা তেজ পৰীক্ষাত সৰ্বোচ্চ ২৫ শতাংশ পৰ্যন্ত বিশেষ ৰেহাই আৰু ৩৫ হাজাৰ টকাৰ পৰা লেপাৰ'স্কপিক গল ব্লাডাৰ অস্ত্ৰোপচাৰৰ সুবিধা (চৰ্তসাপেক্ষে প্ৰযোজ্য)। হাস্পতালখনে জানিবলৈ দিয়া মতে, চলিত বৰ্ষৰ ২১ জুলাইৰ পৰা ৩১ জুলাই পৰ্যন্ত এই বিশেষ সুবিধাসমূহ কাৰ্যকৰী হৈ থাকিব। ইফালে, প্ৰতিষ্ঠা দিৱসৰ এই উদ্‌যাপন পাৰ হৈ যোৱা এটা বছৰৰ যাত্ৰালৈ ঘূৰি চোৱাৰো এক বিশেষ উপলক্ষ হৈ পৰে। ৰাজ্যৰ মুখ্য মন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাৰ হাতত উদ্বোধন হোৱাৰ পিছৰে পৰা পিয়াৰলেছ হাস্পতাল গুৱাহাটীয়ে ধীৰে ধীৰে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত মানসম্পন্ন চিকিৎসা সেৱাৰ এক নিৰ্ভৰযোগ্য প্ৰতিষ্ঠান হিচাপে নিজৰ অৱস্থান আৰু অধিক সুদৃঢ় কৰিছে। অভিজ্ঞ চিকিৎসক, আধুনিক আন্তঃগাঁথনি আৰু মানৱীয় ৰোগী সেৱাৰ সমন্বয়ত হাস্পতালখনে উন্নত চিকিৎসা সেৱা প্ৰদান কৰি আহিছে। এই উপলক্ষে পিয়াৰলেছ হাস্পতাল গুৱাহাটীৰ মুখ্য কাৰ্যনিৰ্বাহক বিষয়া ডাঃ গৌতম কে দাসে কয়, 'পিয়াৰলেছ হাস্পতাল গুৱাহাটীৰ যাত্ৰাত প্ৰথম প্ৰতিষ্ঠা দিৱস এক অত্যন্ত গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি। এবছৰ আগতে হাস্পতালখনৰ যাত্ৰা আৰম্ভ কৰাৰ সময়ত আমাৰ এটাই লক্ষ্য আছিল অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাইজৰ বাবে মানসম্পন্ন চিকিৎসা সেৱা অধিক সহজলভ্য কৰি তোলা। সেই লক্ষ্যই লাহে লাহে বাস্তৱৰ ৰূপ লৈছে। নানা প্ৰত্যাহ্বান আৰু সাফল্যৰ প্ৰতিটো অধ্যায়ত আমাৰ উৎসৰ্গিত কৰ্মীদলে মানৱীয়, নৈতিক আৰু ৰোগীকেন্দ্ৰিক চিকিৎসা সেৱা প্ৰদানৰ প্ৰতিশ্ৰুতি অটুট ৰাখিছে। আমাৰ প্ৰতিগৰাকী সহকৰ্মী, ৰোগী আৰু শুভাকাংক্ষীৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। তেওঁলোকৰ আস্থা আৰু অবিচল সমৰ্থনেই আমাক আগুৱাই যোৱাৰ শক্তি যোগাইছে। এই গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি উদ্‌যাপনৰ মুহূৰ্তত চিকিৎসা সেৱাৰ মান আৰু অধিক উন্নত কৰা আৰু উৎকৰ্ষৰ সৈতে সমাজৰ মানুহৰ সেৱা কৰি যোৱাৰ প্ৰতিশ্ৰুতি লৈয়েই আমি আগত দিনবোৰৰ দিশে আগবাঢ়িছো।' পাৰ হৈ যোৱা এটা বছৰত পিয়াৰলেছ হাস্পতাল গুৱাহাটীয়ে একাধিক বিশেষায়িত বিভাগত চিকিৎসা সেৱাৰ পৰিসৰ আৰু অধিক বিস্তৃত কৰিছে। একে সময়তে ৰোগীকেন্দ্ৰিক চিকিৎসা ব্যৱস্থাকো অধিক শক্তিশালী কৰি তুলিছে হাস্পতালখনে।

### সীমান্তবাসীৰ মাজত জাতীয় চেতনা-সামাজিক দায়বদ্ধতা শক্তিশালী কৰাৰ আহ্বান

# শিলচৰত সীমান্ত চেতনা মঞ্চৰ ৰাজ্যিক সন্মিলন

**শিলচৰ ঃ** সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰৰ দুদিনীয়া অসম ৰাজ্যিক সন্মিলনখন শিলচৰৰ ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত যোৱা ২৫ আৰু ২৬ জুলাইত অনুষ্ঠিত হৈ যায়। এই সন্মিলনত ভাৰত-ভূটান সীমান্তৱৰ্তী কোকৰাঝাৰ, চিৰাং, বাক্সা, ওদালগুৰি আৰু ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, কাছাৰ, শ্ৰীভূমিৰ লগতে গুৱাহাটী মহানগৰ, বঙাইগাঁও আদি বিভিন্ন জিলাৰ প্ৰতিনিধি আৰু কাৰ্যকৰ্তাসকলে অংশগ্ৰহণ কৰে। মংগল প্ৰদীপ প্ৰজ্বলন, ভাৰত মাতাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি আৰু অতিথি সম্বৰ্ধনাৰে আৰম্ভ হোৱা সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰৰ ৰাজ্যিক সভাপতি বাবলু কুমাৰ ৰায়ে আদৰণী ভাষণত সংগঠনটোৰ লক্ষ্য, উদ্দেশ্য আৰু সীমান্তৱৰ্তী অঞ্চলত ৰাষ্ট্ৰীয় চেতনা জাগ্ৰত কৰাৰ বিভিন্ন দিশ ব্যাখ্যা কৰে। সীমা জাগৰণ মঞ্চৰ অখিল ভাৰতীয় সংৰক্ষক এ. গোপাল কৃষ্ণণে সীমান্তবাসীৰ মাজত দেশপ্ৰেম, জাতীয় চেতনা আৰু সামাজিক দায়বদ্ধতা শক্তিশালী কৰাৰ আহ্বান জনায়। তেওঁ দেশৰ ঐক্য, অখণ্ডতা আৰু ৰাষ্ট্ৰ নিৰ্মাণত প্ৰতিজন নাগৰিকৰ সক্ৰিয় অংশগ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সন্মিলনত বিশিষ্ট অতিথি এন আই টি, শিলচৰৰ উপ-পঞ্জীয়ক নিহাৰেন্দু ধৰে সীমান্ত চেতনা মঞ্চৰ জনসচেতনতামূলক আৰু ৰাষ্ট্ৰীয় ঐক্য সুদৃঢ় কৰাৰ প্ৰচেষ্টাক প্ৰশংসা কৰে। অনুষ্ঠানত মুখ্য অতিথি গুৰুচৰণ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড° নিৰঞ্জন ৰায়ে সংগঠনটোৰ স্মৃতিগ্ৰন্থ 'সীমান্ত-২৬' উন্মোচন কৰে। উপাচাৰ্য অধ্যাপক ড° নিৰঞ্জন ৰায়ে সীমান্ত অঞ্চলৰ উন্নয়ন, ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু 'বিকশিত ভাৰত' গঢ়াৰ ক্ষেত্ৰত যুৱ




সমাজৰ সক্ৰিয় অংশগ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সভাত সভাপতিত্ব কৰা ড° দেৱতোষ চক্ৰৱৰ্তীয়ে সংগঠনৰ লক্ষ্য বাস্তৱায়িত কৰাৰ বাবে সকলোকে ঐক্যবদ্ধভাৱে কাম কৰাৰ আহ্বান জনায়। দুদিনীয়া সন্মিলনত সংগঠনৰ সেৱা, ক্ৰীড়া, সম্পৰ্ক, প্ৰবোধন আদি বিভাগৰ বিগত বৰ্ষৰ কাৰ্যকলাপৰ পৰ্যালোচনা কৰাৰ লগতে সংগঠন সম্প্ৰসাৰণ আৰু আগন্তুক বৰ্ষৰ বিস্তৃত কৰ্মপৰিকল্পনা গ্ৰহণ কৰা হয়। অধিৱেশনত ৰাজ্যিক সভাপতি বাবলু কুমাৰ ৰায়ে সীমান্তবাসীৰ কল্যাণ, ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু সংগঠনৰ শক্তিশালী বিকাশৰ বাবে সকলোকে ঐক্যবদ্ধভাৱে কাম কৰাৰ আহ্বান জনায়। বিনীতা ভাগৱতীয়ে 'Border Village is not the Last Village, but the First Village' ধাৰণাৰ ওপৰত গুৰুত্ব আৰোপ কৰি সীমান্ত গাঁওসমূহৰ সৰ্বাংগীণ উন্নয়ন আৰু স্থানীয় জনসাধাৰণৰ সৈতে সীমান্ত সুৰক্ষা বাহিনীৰ আৱেগিক সম্পৰ্কৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰে।



### ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ সেৱা ভাৰতীৰ উদ্যোগ

## উজনিত বানপীড়িতক সাহায্য বিতৰণ

**গুৱাহাটী ঃ** ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (আৰ এছ এছ)ৰ স্বয়ংসেৱক আৰু সেৱা ভাৰতীৰ কাৰ্যকৰ্তাসকলে উজনি অসমৰ ভয়াৱহ বানপানীত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ বিভিন্ন প্ৰকাৰে উদ্ধাৰ আৰু সাহায্য কাৰ্যসূচী অব্যাহত ৰাখিছে। শিৱসাগৰ জিলাৰ বেতবাৰী অঞ্চলৰ কাকতি গাঁও, ডি-গাঁও, ২ নং কোঁৱৰ গাঁও আৰু চেতিয়া কৈৱৰ্ত গাঁৱত স্বয়ংসেৱকসকলে ব্যাপক উদ্ধাৰ অভিযান চলাই ২০০ ৰো অধিক লোকক বানৰ কবলৰ পৰা উদ্ধাৰ কৰি নিৰাপদ স্থান আৰু সাহায্য শিবিৰলৈ স্থানান্তৰিত কৰে। সুন্দৰ পুখুৰী, বামুণ পুখুৰী, গেলেকী আৰু ৰাজাবাৰী আদি জলমগ্ন অঞ্চলসমূহত সৰু নাৱৰ সহায়ত আবদ্ধ পৰিয়ালসমূহৰ ওচৰ পাই ৰন্ধা খাদ্য, বিশুদ্ধ খোৱাপানী, জীৱনদায়িনী ঔষধ, বস্ত্ৰ আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰা হৈছে। আনহাতে, যোৰহাট জিলাৰ এলেংমৰা, কাতিৰাম চুক, কুলাই চুক, নালিয়া চুক, শেনচোৱা চুক আৰু চাৰিঘৰীয়া চুকতো এই সাহায্য অভিযান ক্ষিপ্ৰতাৰে চলি আছে।

### কৃত্ৰিম বুদ্ধিমত্তাৰ অসচেতন প্ৰয়োগে সৃষ্টিশীলতা হ্ৰাস কৰে ঃ পৰেশ বৈশ্য

## শিশু আলোচনী 'মৌ-মেল'ৰ তৃতীয় বাৰ্ষিক সভা

**গুৱাহাটী ঃ** যোৱা দেওবাৰে গুৱাহাটী প্ৰেছ ক্লাবত অসমৰ এখন আগশাৰীৰ শিশু আলোচনী 'মৌ-মেল'ৰ তৃতীয় বাৰ্ষিক সভা আৰু বঁটা বিতৰণী অনুষ্ঠান সম্পন্ন হয়। অনুষ্ঠানত সভাপতিত্ব কৰে 'মৌ-মেল' প্ৰকাশনৰ সভাপতি সুশীল চন্দ্ৰ ডেকাই। আৰম্ভণিতে অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰি 'মৌ-মেল'ৰ সম্পাদক কিৰণ দাসে 'মৌ-মেল' আলোচনীৰ উদ্যোগত শিশুসকলৰ বৌদ্ধিক উত্তৰণৰ বাবে লৈ অহা পদক্ষেপৰ বিষয়ে সদৰী কৰে। অনুষ্ঠানত 'মৌ-মেল'ৰ তৃতীয় বৰ্ষৰ প্ৰথম সংখ্যাটো উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ তথা শিশু সাহিত্যিক পৰেশ বৈশ্যই। আলোচনীখন




উন্মোচন কৰি দিয়া ভাষণত বৈশ্যই শিশুসকলক সৃষ্টিশীল কামত কৃত্ৰিম বুদ্ধিমত্তা নিৰ্ভৰশীল নহ'বলৈ আহ্বান জনায়। কৃত্ৰিম বুদ্ধিমত্তাৰ অসচেতন প্ৰয়োগে শিশুৰ সৃষ্টিশীলতাক হ্ৰাস কৰে। সভাত কিৰণ দাসৰ 'সাধুৰ ৰহঘৰা' নামৰ শিশু উপযোগী গ্ৰন্থখন উন্মোচন কৰে ব্যাকৰণিক প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যই। অনুষ্ঠানত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শিশুসকলে কবিতা পাঠ, গীত-নৃত্য আদি পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। অনুষ্ঠানত ড° সোণমণি দত্তই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। তেওঁ ভাষণত শিশুসকলক মানৱতাৰ কথা শিকাবলৈ আহ্বান জনায়। অনুষ্ঠানত মৌ-মেলে আয়োজন কৰা বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। প্ৰজন্ম চহৰীয়াই আঁত ধৰা উক্ত অনুষ্ঠানত বহুসংখ্যক শিশু আৰু অভিভাৱক উপস্থিত থাকে।

### জ্ঞানদায়িনী সমাজ গুৱাহাটীৰ পদক্ষেপ

## কুলবিল-সাহপুৰৰ তিনি ঠাইত গছপুলি ৰোপণ

**অসম ভূমি সেৱা, চামতা ঃ** জ্ঞানদায়িনী সমাজ, গুৱাহাটী নামৰ সমিতিখনে যোৱা দেওবাৰে পশ্চিম নলবাৰীৰ সাহপুৰ ৰাজঘাট আৰু কুলবিলৰ তিনিটা ৰাজহুৱা প্ৰতিষ্ঠানত পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ উদ্দেশ্যে কিছুসংখ্যক গছপুলি ৰোপণ কৰি পুলিসমূহৰ সুৰক্ষাৰ ব্যৱস্থা কৰে। জ্ঞানদায়িনী সমাজ,



গুৱাহাটীৰ বিষববীয়া ধীৰেন চৌধুৰী আৰু তীৰ্থনাথ শৰ্মাই প্ৰথমে কুলবিলঘাট ৰাজহুৱা শিৱালয়ত উপস্থিত হৈ শিৱালয় পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলৰ সহযোগত শিৱালয় চৌহদত নাহৰ আৰু দেৱদাৰুৰ পুলি দুটা ৰোপণ কৰে। ইয়াৰ পিছতে জ্ঞানদায়িনী সমাজৰ বিষয়ববীয়াসকল সাহপুৰ ৰাজঘাটস্থ ধৰ্মপুৰ জ্ঞানদায়িনী সভা (দুৰ্গা পূজা সমিতি) আৰু ধৰ্মপুৰ জ্ঞানদায়িনী নাট্য সমাজত উপস্থিত হয় আৰু দুয়োটা প্ৰতিষ্ঠানৰ চৌহদত প্ৰতিষ্ঠান দুটাৰ বিষয়ববীয়াসকলৰ সহযোগত ১০ টা গছৰ পুলি ৰোপণ কৰে।

# উৰিষ্যাৰ কটকত উজলিল বজালীৰ শিক্ষাৰ্থী



**অসম ভূমি সেৱা, পাঠশালা ঃ** বজালীৰ ভোটান্ত সাদেৰীৰ ৰূপকোঁৱৰ জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে যোৱা ২৫ আৰু ২৬ জুলাইত কটকত উৎকল যুৱ সাংস্কৃতিক সংঘৰ উদ্যোগত কটকৰ কলা বিকাশ কেন্দ্ৰত দুদিনীয়াকৈ অনুষ্ঠিত কলিংগ উৎসৱত বিশেষ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হয়। বিদ্যালয়খনৰ সঞ্চালক অংকুৰ বৰুৱা আৰু বিদ্যালয়খনৰ নৃত্য বিভাগৰ শিক্ষক প্ৰীতম দাসৰ নেতৃত্বত অংশগ্ৰহণ কৰা ২৪ জনীয়া দলটোৰ কবিতা আবৃত্তিত বিদ্যালয়খনৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ নিবিড় নেচন বৰুৱাই কলিংগ কলা ৰাজমণি বঁটা লাভ কৰে। উল্লেখ্য যে এইগৰাকী শিক্ষাৰ্থী এদিনৰ বাবে বজালী জিলাৰ আৰক্ষী অধীক্ষকো হৈছিল। আনহাতে, নৃত্য বিভাগত বিহু নাচ প্ৰদৰ্শন কৰি জীমণি ঠাকুৰীয়া (পঞ্চম শ্ৰেণী) ই নৃত্য কলিংগ ৰাজশ্ৰী বঁটা, দেশপ্ৰেমমূলক গীতত নৃত্য পৰিৱেশন কৰি শিল্পজ্যোতি কলিতা (সপ্তম শ্ৰেণী) ই কলিংগ ৰাজমণি বঁটা, আধুনিক নৃত্য পৰিৱেশন কৰি স্মিতিশিখা ৰয় (তৃতীয় শ্ৰেণী), অমৃতা কাশ্যপ বৰুৱা (প্ৰথম শ্ৰেণী), তৃষ্ণাশ্ৰী দাস (প্ৰথম শ্ৰেণী) নৃত্য কলিংগ বাল ৰাজশ্ৰী সন্মান লাভ কৰিবলৈ সক্ষম হয়। শিক্ষাৰ লগতে শিক্ষাৰ্থীসকলৰ সুপ্ত প্ৰতিভা বিকাশত ইতিবাচক প্ৰভাৱ পেলোৱাৰ উদ্দেশ্যে নিৰৱচ্ছিন্নভাৱে কাম কৰি যোৱা বিদ্যালয়খনৰ সঞ্চালক অংকুৰ বৰুৱাকো এই অনুষ্ঠানৰ বঁটা বিতৰণী অনুষ্ঠানত বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। এই খবৰে বজালীৰ পৰিৱেশ কৰ্মী আনন্দ খাটনিয়াৰ, সাংস্কৃতিক কৰ্মী সনাতন কাকতি, সতীশ তালুকদাৰকে ধৰি কেইবাগৰাকী ব্যক্তিয়ে বিদ্যালয়ৰ পৰা যোৱা দলটোক অভিনন্দন জনায়।

**Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com**

**Editor: Raghabendra Narayan Dutta Baruah**